# গ্রন্থপঞ্জী

# গ্ৰন্থপঞ্জী


**(ক) মুখ্য উৎস ঃ**

অপ্ৰকাশিত গৱেষণা গ্ৰন্থ

ডেকা, গীতা ঃ *সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন (কাঁহ শিল্পৰ বিশেষ উল্লিখনসহ)*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, লোকসংস্কৃতি গৱেষণা বিভাগ, কলা শাখা, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৬

ডেকা, প্ৰতুল ঃ *অবিভক্ত কামৰূপ জিলাৰ লোকশিল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, অসমীয়া বিভাগ, কলা শাখা, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৯

দত্ত, ৰণ্টু ঃ *অসমৰ বয়নশিল্প ঃ এটি সমীক্ষাত্মক অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০১৮

দলে, বিজয়কৃষ্ণ ঃ *মিচিং লোকশিল্প ঃ এটি বৰ্ণনাত্মক অধ্যয়ন*, অপ্ৰকাশিত গৱেষণাগ্ৰন্থ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০১৭

দাস, মদন চন্দ্ৰ ঃ *বৰপেটা জিলাৰ ভৌতিক সংস্কৃতি ঃ হাতীদাঁত শিল্পৰ বিশেষ উল্লিখনসহ*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, আধুনিক ভাৰতীয় ভাষা বিভাগ, কলা শাখা, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৩

পাঠক, মুকুট ঃ *অসমৰ থলুৱা বৃত্তিয়াল সম্প্ৰদায়ৰ লোকজীৱন আৰু লোককলা ঃ এটি অধ্যয়ন (কুমাৰ-হীৰা, কমাৰ, মালী, সোণাৰীসকলৰ বিশেষ প্ৰসঙ্গত)*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৯

মাউত, খনিকৰ ঃ *সাংস্কৃতিক সমাহাৰণত উজনি অসমৰ নগা জনগোষ্ঠীসমূহৰ লোকসংস্কৃতি*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০১৯

Barthakur, Mandira Saikia ঃ ***A Study of the Assamese Textile: Artistic Craftmanship and Aesthetic Value***, Unpublished Ph.D. Thesis, Department of Assamese, Dibrugarh University, 1997

Nath, Uday ঃ ***Barpeta as a Centre of Assamese Culture: A Study in Tradition and Change with Special Reference to the Satra Institution***, Unpublished

thesis, Department of Folklore Research, Gauhati University, 1991

**(খ) গৌণ উৎস ঃ**

<u>অসমীয়া গ্ৰন্থ</u>

অধিকাৰী, শুকদেৱ (সম্পাঃ) ঃ ***বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি***, জাগৰণ সাহিত্য প্ৰকাশন, অসমীয়া বিভাগ, ধিং কলেজ, ধিং, প্ৰথম প্ৰকাশ, ২০১২

কলিতা, ফুলকুমাৰী ঃ ***লোকসাহিত্যৰ ৰহঘৰা ফকৰা যোজনা,*** প্ৰকাশক ঃ নিপ কুমাৰ ডেকা, বালিজান, ডিগবৈ, প্ৰথম প্ৰকাশ, ২০০৩

কলিতা, মৃণালচন্দ্ৰ ঃ ***বৃন্দাবনী বস্ত্ৰ***, প্ৰাগজ্যোতিষপুৰ সাহিত্য সভা, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৮

...................... ঃ ***আমাৰ বস্ত্ৰ আমাৰ সাজ,*** ৰেখা প্ৰকাশন, গুৱাহাটী, ২০১১

কলিতা, নৰেন (সম্পাঃ) ঃ ***শিল্প আলোচনা,*** অসম সাহিত্য সভা, যোৰহাট ১৯৮৯

কলিতা, পুলিন ঃ ***নামঘৰ বুৰঞ্জী আৰু বিৱৰণ,*** অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২

গগৈ, ৰঞ্জিত (সম্পাঃ) ঃ ***বৰপেটা,*** প্ৰকাশক ঃ তথ্য আৰু জনসংযোগ, অসম, প্ৰথম প্ৰকাশ, ২০১২

গগৈ, লীলা ঃ ***অসমৰ সংস্কৃতি,*** বনলতা, ডিব্ৰুগড়-৭৮৬০০১, ৫ম প্ৰকাশ, ১৯৯৪

গগৈ, চাও লোকেশ্বৰ ঃ ***অসমৰ লোক-সংস্কৃতি (দ্বিতীয় খণ্ড),*** ক্ৰান্তিকাল প্ৰকাশন, নগাঁও, ২০১১

গোস্বামী, অতুলচন্দ্ৰ আৰু অন্যান্য (সম্পাঃ) ঃ ***প্ৰগতি,*** প্লেনিং ফোৰাম, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা, প্ৰথম প্ৰকাশ, ১৯৯০

গোস্বামী, উৎপল নাৰায়ণ ঃ ***সত্ৰ-সংস্কৃতিৰ ৰূপ-বৈচিত্ৰ্য,*** পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৯

গোস্বামী, নাৰায়ণ চন্দ্ৰ ঃ ***সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা,*** যোৰহাট ঃ বিদ্যাভৱন, ২০০৩

গোস্বামী, ভৃগুমোহন ঃ ***সংস্কৃতি আৰু লোকসংস্কৃতি,*** চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৪

গোস্বামী, মালিনী (অনুঃ) ঃ ***হৰ্ষচৰিত***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৫

চলিহা, প্ৰদীপ ঃ ***পুৰণি অসমৰ কাৰিকৰী শিল্প,*** অসম বিজ্ঞান সমিতি, গুৱাহাটী, ১৯৯৮

চহৰীয়া, কনকচন্দ্ৰ ঃ ***অসমীয়া সংস্কৃতি অধ্যয়ন,*** অলিম্পিয়া প্ৰকাশন, গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০১৬

চাংকাকতি, লক্ষ্মীপ্ৰিয়া দেৱী : ***অসমৰ তাঁতশাল***, অসম সাহিত্য সভা, যোৰহাট, ১৯৯৩

ডেকা, অংকুৰ : ***চিত্ৰকলা***, বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৬

ডেকা, খগেশ সেন, নৰেন চন্দ্ৰ দাস আৰু অন্যান্য : ***অসমীয়া ভাষা সাহিত্য সংস্কৃতি বীথিকা***, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯

ডেকা, জীৱন চন্দ্ৰ : *মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ স্থাপিত গোমুৰা সত্ৰৰ ইতিবৃত্ত*, সংযোজন সত্ৰ পৰিচালনা সমিতি, সৰ্থেবাৰী, তৃতীয় প্ৰকাশ, ২০১৭

ডেকা, জ্যোতিষ কুমাৰ : ***চিত্ৰকোষ***, পঞ্চজ্যোতি প্ৰকাশ প্ৰাঃ লিঃ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০০১

তালুকদাৰ, ধ্ৰুৱকুমাৰ : ***অসমৰ লোক শিল্পকলা***, বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১১

তালুকদাৰ, ধ্ৰুৱকুমাৰ (সম্পাঃ) : ***বৰপেটা সত্ৰ আৰু সংস্কৃতি***, বৰপেটা ঃ ৰংঘৰ, ১৯৯৬

দত্ত, বীৰেন্দ্ৰনাথ : ***অসমীয়া সংগীতৰ ঐতিহ্য***, অসম সাহিত্য সভা, যোৰহাট, তৃতীয় সংস্কৰণ, ২০২৭

দাস, অধৰ চন্দ্ৰ : ***সচিত্ৰ বৰপেটা সত্ৰ***, গুৱাহাটী ঃ অৰোৰা ফাইন আৰ্টচ, ২০১৬

দাস, খনিন : ***শিল্পকলাৰ অনুৰাগ কথন***, বনফুল প্ৰকাশন, আৰ জি বৰুৱা ৰোড, গুৱাহাটী, ২০০৯

দাস, বাবুল চন্দ্ৰ : ***বৰপেটা সত্ৰ আৰু লোকজীৱনৰ উৎসৱ-পাৰ্বণ***, বীণাপাণি পাব্লিছিং হাউচ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৮

..................... : ***বৰপেটা আৰু বৰপেটা***, *প্ৰথম খণ্ড*, বৰপেটা সাহিত্য সভা, শতবৰ্ষ উদ্‌যাপন সমিতি, ২০১৮

দাস, দিগম্বৰ : ***বৰপেটাৰ বুৰঞ্জী***, জীৱন জেউতি প্ৰকাশন, বৰপেটা, প্ৰথম প্ৰকাশ, ১৯৯৫

দাস, ভূবন মোহন : ***সময়ৰ সোঁতত অসমীয়া সংস্কৃতি***, লয়াৰ্ছবুক ষ্টল, গুৱাহাটী, ২০০৫

দাস, যাদৱ চন্দ্ৰ : ***অসমৰ পটভূমি বাউসী-বৰনগৰৰ ঐতিহ্য***, পঞ্চৰতন ফাৰ্ম, হাউলী, দ্বিতীয় প্ৰকাশ, ১৯৯৫

দাস, যুগল (অনুঃ) : ***ভাৰতীয় লোক-কলা আৰু হস্তশিল্প*** (মূল ঃ জেছলীন ধামিজা), নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, ১৯৮১

দাস, যুগল : ***অসমৰ লোককলা***, প্ৰকাশন পৰিষদ, অসম, প্ৰথম প্ৰকাশ, ১৯৬৮

..................... : ***গহণা-গাঁঠৰি***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৮

দাস, ৰাজকুমাৰ : *ঐতিহ্যমণ্ডিত চুণপোৰা ভিঠি থান,* প্ৰকাশক ঃ মহানন্দ পাঠক, বৰপেটা, প্ৰথম প্ৰকাশ, ২০১০

দাস, লক্ষ্মী : *শিল্পাঙ্গন চাৰুকলা আৰু কাৰুকলাৰ প্ৰামাণ্য গ্ৰন্থ,* আনন্দৰাম বৰুৱা একাডেমি, প্ৰকাশন, পাঠশালা, বৰপেটা, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১৭

দুৱৰা, ধৰ্মেশ্বৰ : *অসমৰ বাদ্যযন্ত্ৰ,* বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০০৫

নাথ, উদয় : *বৰপেটাৰ সাংস্কৃতিক বুৰঞ্জী,* বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৬

নাথ, প্ৰদীপ : *শিল্পভাষা,* আঁক-বাক প্ৰকাশন, গান্ধীবস্তি, গুৱাহাটী-৩, চতুৰ্থ সংস্কৰণ, ২০২২

নাথ, স্বপনজ্যোতি (সম্পাঃ) : *লোক-সংস্কৃতি আৰু বিশ্বায়ন,* খাগৰিজান কলেজ, অসমীয়া বিভাগ, নগাঁও, প্ৰথম প্ৰকাশ, ২০১২

নেওগ, মহেশ্বৰ : *অসমৰ সাংস্কৃতিক ঐতিহ্য নৃত্য-গীত-অভিনয়,* কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০০৩

..................... : *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, একাদশ তাঙৰণ, ২০১০

.................. (সম্পাঃ) : *পবিত্ৰ অসম,* অসম সাহিত্য সভাৰ হৈনৰ কলিতা, কিৰণ প্ৰকাশন, ধেমাজি, চতুৰ্থ সংস্কৰণ, ২০০৮

.................. (সম্পাঃ) : *গুৰু-চৰিত-কথা,* বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী, দ্বিতীয় তাঙৰণ, ২০০৩

.................. (সম্পাঃ) : *প্ৰাচ্য শাসনাৱলী,* অসম প্ৰকাশন পৰিষদ, তৃতীয় প্ৰকাশ, ২০০৮

নেওগ, হৰিপ্ৰসাদ আৰু লীলা গগৈ (সম্পাঃ) : *অসমীয়া সংস্কৃতি,* অসম সাহিত্য সভা, গুৱাহাটী, চতুৰ্থ প্ৰকাশ, ২০০৩

পৰাশৰ, অনুভৱ : *সংগ্ৰহালয় আৰু অসমৰ সংগ্ৰহালয়,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৯

পাটগিৰি, জগন্নাথ (সম্পাঃ) : *অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰৰ ইতিবৃত্ত,* বীণা লাইব্ৰেৰী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৯৯৭

পাটৰ, পদ্ম (সম্পাঃ) : *অসমৰ সমাজ সংস্কৃতি,* ৰং চং পাব্লিকেচন, গুৱাহাটী, ২০০৮

পাটোৱাৰী, পাৰ্বতী : *সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহশিল্প,* মৃত্যুঞ্জয় প্ৰকাশন, সৰ্থেবাৰী, প্ৰথম সংস্কৰণ, ২০২২

পাঠক, গোকুল : ***বৰপেটা সত্ৰৰ ইতিহাস***, আমাৰ দেশ প্ৰকাশন, জেইল ৰোড, বৰপেটা, পঞ্চম প্ৰকাশ, ২০০৩

পাঠক, হৰিদেৱ : ***বৰপেটাৰ এফিমেন সংস্কৃতি***, শংকৰী কলা মন্দিৰ, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০২০

ফুকন, নীলমণি : ***শিল্পকলাৰ উপলব্ধি আৰু আনন্দ শিল্পকলা বিষয়ক সম্পূৰ্ণ ৰচনা***, অন্বেষা প্ৰকাশন, এম. চি. ৰোড, বাৰোৱাৰী, গুৱাহাটী, ২০১৩

..................... : ***লোক কল্প দৃষ্টি***, অসম প্ৰকাশন পৰিষদ, তৃতীয় সংস্কৰণ, ২০১৯

বৰগোহাঞি, যতীন্দ্ৰ কুমাৰ : ***অসমৰ সাংস্কৃতিক ইতিহাস (প্ৰথম খণ্ড)***, অসম সাহিত্য সভা, যোৰহাট, ২০০৭

বৰদলৈ, নিৰ্মলপ্ৰভা : ***অসমৰ লোকসংস্কৃতি***, বীণা লাইব্ৰেৰী, গুৱাহাটী, তৃতীয় সংস্কৰণ, ২০০৮

বৰদলৈ, ৰজনীকান্ত : ***মনোমতী***, সাহিত্য-প্ৰকাশ, গুৱাহাটী, পুনৰ মুদ্ৰণ, ২০০১

বৰবৰুৱা, হিতেশ্বৰ : ***আহোমৰ দিন***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৭৮১০২১, ডিচেম্বৰ, ১৯৯৭

বৰ্মন, প্ৰসূন আৰু গোৰ্কী চক্ৰৱৰ্তী (সম্পাঃ) : ***চৰ-চাপৰি অৱলোকন-পুনৰৱলোকন***, বান্ধৱ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২০

..................... : ***অসম দেশৰ বুৰঞ্জী***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৩

বৰা, কমলাকান্ত : ***কলা-দৰ্পণ***, ঘন দত্ত, জালুকবাৰী, গুৱাহাটী-১৪, বাণীমন্দিৰ, হেদায়েৎপুৰ, গুৱাহাটী-৩, দ্বিতীয় প্ৰকাশ, ২০১৩

বৰুৱা, প্ৰদীপ : ***চিত্ৰ-বিচিত্ৰ অসম***, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, ২০০৩

বৰুৱা, বিৰিঞ্চি কুমাৰ : ***অসমৰ লোক-সংস্কৃতি***, বীণা লাইব্ৰেৰী, গুৱাহাটী, অষ্টম প্ৰকাশ, ছেপ্তেম্বৰ, ২০০৫

..................... : ***অসমীয়া ভাষা আৰু সংস্কৃতি***, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০০০

বৰা, মহেন্দ্ৰ : ***গৱেষণা প্ৰণালীতত্ত্ব***, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়, ১৯৯২

বড়া, ৰেখামণি : ***আহোম যুগৰ স্থাপত্য কলা***, অসম বুক ট্ৰাষ্ট, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২২

বুজৰবৰুৱা, পল্লৱী ডেকা : ***গৱেষণা পদ্ধতিবিজ্ঞান***, বনলতা, ডিব্ৰুগড়, ২০১৭

বুঢ়াগোহাঞি, নবীন : ***আহোম যুগৰ দৌল আৰু ইয়াৰ স্থাপত্য-কলা***, বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২১

বেজবৰুৱা, লক্ষ্মীনাথ : *মোৰ জীৱন-সোঁৱৰণ*, বনলতা, ডিব্ৰুগড়, ১৯৯৮

ভট্টাচাৰ্য, বসন্ত কুমাৰ (সম্পাঃ) : ***ৰামচৰণ ঠাকুৰ বিৰচিত গুৰুচৰিত***, চন্দ্ৰ প্ৰকাশ, টিহু, প্ৰথম প্ৰকাশ, ১৯৮৫

ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ : ***ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, তৃতীয় প্ৰকাশ, ১৯৯৩

ভৰালী, বিভা : ***কামৰূপী উপভাষা এটি অধ্যয়ন,*** প্ৰকাশক ঃ বৈকুণ্ঠ ৰাজবংশী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী, চতুৰ্থ প্ৰকাশ, ২০১৬

ভৰালী, বিভা (মুখ্য সম্পাঃ) : ***সাহিত্য সৌৰভ***, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ চন্দ্ৰ প্ৰকাশ, ২০১০

মহন্ত, বাপচন্দ্ৰ : ***শঙ্কৰদেৱৰ ব্যক্তিত্ব আৰু সত্ৰ-ব্যৱস্থা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমাজ-চেতনাৰ ইতিহাসৰ আধাৰত***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২

মিশ্ৰ, অক্ষয় কুমাৰ : ***অসমীয়া সাহিত্যলৈ বৰপেটা জিলাৰ অৱদান,*** বৰপেটা জিলা সাহিত্য সভা, প্ৰথম প্ৰকাশ, ১৯৯৬

......................... (সম্পাঃ) : ***জীৱনীমালা,*** বৰপেটা সাহিত্য সভা, ১৮৮৫

.......................... (সম্পাঃ) : ***বৰপেটা জিলাৰ লোক-সংস্কৃতি,*** বৰপেটা জিলাৰ সাহিত্য সভাৰ হৈ ৰঞ্জিত ডেকা, প্ৰথম প্ৰকাশ, ২০০৫

মিশ্ৰ, অক্ষয় কুমাৰ আৰু চিত্তৰঞ্জন চৌধুৰী (সম্পাঃ)ঃ ***বাণীকান্ত কাকতি ব্যক্তিত্ব আৰু কৃতিত্ব,*** প্ৰকাশক ঃ গোৱৰ্ধন দাস, বাণীকান্ত কাকতি জন্ম-শতবাৰ্ষিকী উদ্‌যাপন সমিতি, বৰপেটা, ১৯৯৪

মিশ্ৰ, বনমালী : ***পাটবাউসী সত্ৰৰ চমু ইতিবৃত্ত*** শ্ৰীশ্ৰীশংকৰদেৱ থান, পাটবাউসী সত্ৰ পৰিচালনা সমিতি, পাটবাউসী, বৰপেটা, পঞ্চম প্ৰকাশ, ২০২১

ৰাজকুমাৰ, সৰ্বানন্দ : ***ইতিহাসে সোঁৱৰা ছশটা বছৰ***, বনলতা, ডিব্ৰুগড়, ২০০০

ৰায়, নীলমোহন (সম্পাঃ) : ***সাহিত্য-সংস্কৃতিৰ স্বৰ্ণদ্যুতি***, পাণ্ডু মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতি, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১১

ৰায়চৌধুৰী, ভূপেন্দ্ৰ (সম্পাঃ) : ***বৰপেটাৰ ঐতিহ্য***, ৰেখা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১০

...................... : *বৰপেটা সত্ৰৰ ইতিবৃত্ত,* গুৱাহাটী ঃ ৰেখা প্ৰকাশন, ২০১১

...................... : ***পাটবাউসী থানৰ ৰূপৰেখা,*** ৰামৰায় প্ৰকাশন, ১৬, সতীৰ্থ পথ, মথুৰা নগৰ, গুৱাহাটী-৭৮১০০৬, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০১৮

...................... : ***সুন্দৰীদিয়া সত্ৰৰ বুৰঞ্জী,*** ৰামৰায় প্ৰকাশন, ১৬, সতীৰ্থ পথ, মথুৰা নগৰ, গুৱাহাটী-৭৮১০০৬, প্ৰথম প্ৰকাশ, জুলাই, ২০১৮

লহকৰ, হিৰণ শইকীয়া আৰু
শোভাৰাণী দাস (সম্পাঃ) ঃ ***বৰপেটা জিলাৰ লোক-কৃষ্টিত এভুমুকি***, অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম বৰপেটাৰোড অধিৱেশন আদৰণী সমিতি, বৰপেটাৰোড, প্ৰথম প্ৰকাশ, ২০১৩

লেখাৰু, উপেন্দ্ৰচন্দ্ৰ ঃ ***কথাগুৰু চৰিত***, দত্তবৰুৱা পাবলিচিং কোঃ প্ৰাঃ লিঃ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৫২

শইকীয়া, নগেন ঃ ***অসমীয়া মানুহৰ ইতিহাস***, কথা প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১৬

...................... ঃ ***গৱেষণা-পদ্ধতি পৰিচয়***, বনলতা, ডিব্ৰুগড়, ১৯৯৬

শৰ্মা, উমা ঃ ***সংস্কৃতিৰ জন্ম আৰু জীৱন***, প্ৰকাশক - অভয়া শৰ্মা, গুৱাহাটী - ১, দ্বিতীয় প্ৰকাশ, মাৰ্চ, ১৯৯৪

শৰ্মা দলৈ, হৰিনাথ ঃ ***বাৰেবৰণীয়া অসম***, পদ্মাপ্ৰিয়া লাইব্ৰেৰী, শান্তিপুৰ, নলবাৰী - ৭৮১৩৩৫, প্ৰথম প্ৰকাশ, ১৯৯৪

শৰ্মা, নবীন চন্দ্ৰ ঃ ***লোক সংস্কৃতি***, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, চতুৰ্থ সংস্কৰণ, ২০১৯

...................... ঃ ***অসমৰ সাংস্কৃতিক ইতিহাস*** (দ্বিতীয় খণ্ড), যোৰহাট ঃ অসম সাহিত্য সভা, ২০০৯

...................... ঃ ***জনকৃষ্টিৰ ৰূপৰেখা***, জ্যোতি প্ৰকাশন, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০০৫

...................... ঃ ***ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি***, বীণা প্ৰকাশ, গুৱাহাটী, ২০০০

...................... ঃ ***অসমৰ লোকসাহিত্য***, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৪

.................... (সম্পাঃ) ঃ ***ডাক-প্ৰবচন***, বাণী প্ৰকাশ, পাঠশালা, প্ৰথম প্ৰকাশ, ১৯৮৭

শৰ্মা, প্ৰদীপ ঃ ***অসমৰ শেষ মধ্যযুগীয় মন্দিৰ-স্থাপত্য***, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২

শৰ্মা, বেণুধৰ ঃ ***মণিৰাম দেৱান***, অসম প্ৰকাশনপৰিষদ, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, জানুৱাৰী, ২০১৬

শৰ্মা, মৃগেন ঃ ***পুৰণি অসমৰ কাৰিকৰী শিল্পৰ ইতিহাস***, জাগৰণ সাহিত্য প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২২

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ ***অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত***, সৌমাৰ প্ৰকাশ, গুৱাহাটী, দশম সংস্কৰণ, ২০১১

শৰ্মা, হৰেশ্বৰ : ***বস্ত্ৰশিল্পৰ ইতিহাস***, প্ৰকাশক ঃ অশ্বিনীকুমাৰ শৰ্মা, কামৰূপ, অসম, প্ৰথম প্ৰকাশ, ১৯৬১

হাজৰিকা, পৰীক্ষিত : ***চৰ্যাপদ***, বনলতা, গুৱাহাটী, সপ্তম তাঙৰণ, ২০০৭

হাজৰিকা, সূৰ্যকান্ত : ***সংস্কৃতি-সঞ্চয়ন***, বাণী মন্দিৰ, পাণবজাৰ, গুৱাহাটী, ১৯৮০

........................ (সম্পা.) : ***কীৰ্তনঘোষা আৰু নামঘোষা***, বাণী মন্দিৰ, গুৱাহাটী, ষষ্ঠ প্ৰকাশ, ২০১৩

হোছেইন, ইছমাইল : ***অসমৰ চৰ-চাপৰিৰ লোকসাহিত্য***, বনলতা, পাণবজাৰ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২

......................... (সম্পা.) : ***বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি***, আংগিক প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৩

হুছেইন, নুৰ : ***কয়াকুছিৰ অৰ্থনীতি আৰু ঢাৰিশিল্প***, কয়াকুছি শাখা সাহিত্য সভা, কয়াকুছি, প্ৰথম প্ৰকাশ ২০১৬

ইংৰাজী গ্ৰন্থ

Andrew, Milner & Jeff Browitt ঃ ***Contemporary Cultural Theory***, Rawat Publication, Jaipur, 2003

B.C., Allean : ***Assam District Gazettee***, Volume IV, Kamrup, The Pioneer Press, Allahbad, 1905

Baru, Partha Pratim & Ipshita Chanda (Ed.) ঃ ***Locating Cultural Change, Theory, Method, Process***, Sage Publication, New Delhi, 2011

Barthakur, Dilip Ranjan : ***The Music and Musical Instrument of North Eastern India***, Mittal Publications, Delhi, First Edition, 2003

Bidney, David : ***Theoritical Anthropology***, New York, Colombia University Press, 1933

Choudhury, R. D. : ***Some Aspects of History and Culture of Assam***, Publication Board, Assam, Guwahati, First Edition, 2012

Das, Jogesh : ***Folklore of Assam***, National Book Trust, India, New Delhi, 2012

Das, Adhar Ch. : ***Pictorial Barpeta Satra***, Published by Binita Das, Guwahati, First Published, 2019

Dhamija, Jesleen : ***Hadicraft of India : Our Living Culture Tradition***, National Book Trust, Delhi, 2002

Dorson, Richard M. (Ed.) : ***Folklore and Folklife an Introduction***, The University of Chicago Press, London, 1972

Eliot, Deutsch (Ed.) : ***Culture & Modernity East-West Philosophic Perspectives***, Rawat Publication, New Delhi, 2009

Gait, Sir Edward : ***A History of Assam***, EBH Publisher, Guwahati, 2008

Ghosh, Shirsendu : ***Design Clinic Workshops of MSME Barpeta Traditional Firework Cluster***, Barpeta district, Assam, 2014

Green, Thomas A. (Ed.) : ***Folklore An Encyclopedia of Beliefs, Customs, Tales, Music and Art***, Vol.-I, ABC CLIO, California, 1997

Hazarika, Pradip : ***District Census Handbook***, Part A & B (DCHB), Census Organisation, Assam, 2006

Kothari, C. R. : ***Research Methodology, Methods and Techniques (2nd Ed.)***, New Age International (P) Limited, New Delhi, 2004

Kumar, B. B. : ***Folklores & Folklores' Motifs,*** Omsons Publications, New Delhi, First Published, 1993

Pathak, Dayananda : ***Barpeta- A Bird's Eye View***, Published by Tatikuchi, a Socio-Cultural Organization of Barpeta, First Edition, 2020

Sen, Soumen : ***Folklore in North East India***, Omsons Publications, New Delhi, First Published, 2014

Tylor, E. B. : ***Primitive Culture: Researches into the Development of Mythology, Philosophy, Religion, Language Art and Custom***, 2nd Ed. Vol.-I, New York, 1874

White, Leslie A. : ***Culturological Vs Psychological Interpretation of Human Behaviour***, American Sociological Review 12, 686-689, Dec. 1947


<u>বাংলা গ্রন্থ</u>


আলম, সৈয়দ মাহবুব : ***লোকশিল্প প্রবন্ধ,*** বাংলাদেশ লোক ও কারুশিল্প ফাউণ্ডেশন, সোনারগাঁও, নাৰায়ণগঞ্জ, প্ৰথম প্ৰকাশ, ১৯৯৯

...................... : ***লোকশিল্প,*** বাংলাদেশ লোক ও কারুশিল্প ফাউণ্ডেশন, সোনারগাঁও, নাৰায়ণগঞ্জ, প্ৰথম প্ৰকাশ, ১৯৯৯

ইসলাম, শেখ মকবুল : ***লোকসংস্কৃতিবিজ্ঞান তত্ত্ব পদ্ধতি ও প্রয়োগ,*** অজন্তা প্রিণ্টার্স, কলকাতা, ২০১১

গঙ্গোপাধ্যায়, কল্যাণ কুমাৰ : ***বাংলার লোক-শিল্প,*** পুরোগামী প্রকাশনী, কলিকতা -৪, প্রথম প্রকাশ, ১৯৯৮

ঘোষ, বিনয় : ***বাংলার লোকসংস্কৃতির সমাজতত্ত্ব,*** প্রকাশ ভবন, বঙ্কিম চ্যাটার্জি স্ট্রিট, কলকাতা-৭৩, ভাদ্র ১৮১৯

...................... : ***পশ্চিমবঙ্গের সংস্কৃতি,*** প্ৰথম খণ্ড, প্ৰকাশ ভবন, কলিকতা-৭০০০৭৩, পঞ্চম মুদ্রণ, জানুয়ারি, ২০০৩

...................... : ***পশ্চিমবঙ্গের সংস্কৃতি,*** দ্বিতীয় খণ্ড, প্ৰকাশ ভবন, কলিকতা-৭০০০৭৩, তৃতীয় মুদ্রণ, আগষ্ট, ১৯৯৮

...................... : ***পশ্চিমবঙ্গের সংস্কৃতি,*** চতুর্থ খণ্ড, প্ৰকাশ ভবন, কলিকতা-৭০০০৭৩, চতুর্থ সংস্করণ, ফেব্রুয়ারী, ২০০৭

চক্রবর্তী, বরুণ কুমাৰ : ***লোকসংস্কৃতির সুলুক সন্ধানে,*** পুস্তক বিপণি, ২৭ বনিয়াটোলা লেন, কলকাতা- ৯, দ্বিতীয় পৰিমাৰ্জিত সংস্করণ, জুন, ২০১০

চক্রবর্তী, বরুণ কুমাৰ (সম্পা.) : ***লোকজশিল্প,*** পারুল প্রকাশনী, চিন্তামণি দাস লেন, কলকাতা -৯, প্রথম সংস্করণ, ২০১১

চক্রবর্তী, বরুণ কুমাৰ (সম্পা.) : ***বঙ্গীয় লোকসংস্কৃতি কোষ,*** অপর্ণা বুক ডিস্ট্রিবিউটার্স, ৭৩ মহাত্মা গান্ধী রোড, কলকাতা- ৭০০ ০০৯, এপ্রিল ২০০৫

চট্টোপাধ্যায়, তুষাৰ : ***লোকসংস্কৃতির তত্ত্বরূপ ও স্বরূপ সন্ধান,*** কলকাতা : এ মুখার্জী এণ্ড কোং, ১৯৮৫

চৰকার, পবিত্র : ***লোকসংস্কৃতির নন্দনতত্ত্ব,*** পশ্চিমবংগ বাংলা আকাডেমি, কলকাতা, প্রথম প্রকাশ, ১৯৯৬

দত্ত, গুরুসদয় ঃ ***বাংলার লোকশিল্প ও লোকনৃত্য,*** ছাতিম বুক্স, কলকাতা, প্রথম প্রকাশ, ২০০০

দাস, প্রবীর কুমার ঃ ***শিল্প জিজ্ঞাসা,*** সর্বভারতীয় সঙ্গীত ও সংস্কৃতি কলা পরিষদ, কলকাতা, ২০০৭

নাগ, নির্মাল্য ঃ ***শিল্পচেতনা,*** দীপায়ন, ২০ কেশবচন্দ্র সেন স্ট্রিট, কলকাতা-৭০০ ০০৯, দ্বিতীয় সংস্করণ, নভেম্বর ২০০০

নায়ক, জীবেশ ঃ ***লোকসংস্কৃতিবিদ্যা ও লোকসাহিত্য,*** বঙ্গীয় সাহিত্য সংসদ, ৬২ রমানাথ মজুমদার ষ্ট্রীট, কলকাতা, প্রথম প্রকাশ, ২০১০

ভট্টাচার্য, অশোক ঃ ***বাংলার চিত্রকলা,*** পশ্চিমবঙ্গ বাংলা আকাদেমি, ১/১ আচার্য জগদীশচন্দ্র বসু রোড, কলকাতা ৭০০ ০২০

মণ্ডল, সুজয়কুমার ঃ ***লোকশিল্প তাত্ত্বিক প্রেক্ষিত***, কোলকাতা, ২০১১

মিত্র, সনৎকুমাৰ ঃ ***লোকসংস্কৃতি গবেষণা,*** পুস্তক বিপণি, কলকাতা, প্রথম প্রকাশ, ২০১৯

সরকার, পবিত্র ঃ ***লোকসংস্কৃতিৰ নন্দনতত্ত্ব,*** পশ্চিমবংগ বাংলা অকাডেমি, কলকাতা, প্রথম প্রকাশ, ১৯৯৫

সেনগুপ্ত, পল্লব ঃ ***লোকসংস্কৃতির সীমানা ও স্বৰূপ,*** পুস্তক বিপণি, ২৭ বনিয়াটোলা লেন, কলকাতা-৯, জানুয়ারী, তৃতীয় সংস্কৰণ, ২০১০

হাসান, সৈয়দ মাহমুদুল (সম্পা.) ঃ ***বাংলাদেশের লোকশিল্প,*** বাংলাদেশ লোক ও কারুশিল্প ফাউণ্ডেশন, প্রথম প্রকাশ, ১৯৮৩

<u>আলোচনী আৰু বাতৰি-কাকত</u>

কৰিম, ৰেজাউল (সম্পাঃ) ঃ ***কাইশা,*** স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ কলগাছিয়া বিশেষ বাৰ্ষিক অধিৱেশন, কলগাছিয়া, ২০০২

দাস, ৰাম (সম্পাঃ) ঃ ***শ্ৰীশ্ৰীহৰিদাস বণিয়া আতৈ স্মৃতি স্মৰণিকা,*** কনৰা সত্ৰ, গণককুছি, ১৯৯৮

বৰা, ধ্ৰুৱজ্যোতি (সম্পাঃ) ঃ ***গৰীয়সী***, এপ্ৰিল, ২০২২, ঊনত্ৰিশ বছৰ, ষষ্ঠ সংখ্যা

Baruah, Prafulla G. (Ed.) ঃ ***Assam Tribune***, 28th June, 2005

<u>বিশ্বকোষ</u>

গোস্বামী, দীনেশ চন্দ্ৰ (সম্পাঃ) ঃ ***বিশ্বকোষ খণ্ড-১,*** অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, ২০০২

বৰুৱা, শান্তনু কৌশিক (সম্পাঃ) ঃ *সংক্ষিপ্ত অসমীয়া বিশ্বকোষ, খণ্ড-ৰ,* জ্যোতি প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৯৯০

**অভিধান**

বৰুৱা, হেমচন্দ্ৰ ঃ *হেমকোষ*, হেমকোষ প্ৰকাশন, এম. আৰ. দেৱান পথ, চান্দমাৰী, গুৱাহাটী- ৩, ২০১৬

গোস্বামী, দীনেশ চন্দ্ৰ (সম্পাঃ) ঃ *শৰাইঘাট অভিধান*, শৰাইঘাট প্ৰকাশন, গুৱাহাটী - ৭৮১০২১, তৃতীয় মুদ্ৰণ, জুলাই, ২০১২

**সহায়ক ৱেব্‌চাইট**

https://shodhganga.inflibnet.ac.in/

National Digital Library of India, https://ndl.iitkgp.ac.in/

Jstor, https://www.jstor.org/

Encyclopedia Britannica, https://www.britannica.com/

Internet Archive, https://archive.org/

barpeta.assam.gov.in (Government of Assam), Retrieved: 19-02-2021

w.w.w.kaziranga-national-park.com, Retrieved: 22-02-2021

https://www.britannica.com/art/visual-art, retrieved: 17-09-2023

https://dictionary.cambridge.org/dictionary/english/art, retrieved: 17-09-2023

https://www.oxfordlearnersdictionaries.com/definition/english/art_1, retrieved: 17-09-2023

https://www.britannica.com/art/abstract-art, Retrieved: 17-09-2023

https://www.britannica.com/art/folk-art-visual-arts, Retrived: 09-05-2023

www.collinsdictionary.com, Retrived: 12-12-2023

www.igsdirectory.com, Retrived: 15-12-2023

www.britannica.com, Retrived: 15-12-2023

# পৰিশিষ্ট

# পৰিশিষ্ট (ক) ঃ তথ্যদাতাৰ তালিকা

| নাম | পেছা | ঠাইৰ নাম | বয়স |
|---|---|---|---|
| টিকেন্দ্ৰজিৎ বায়ন | হাতীদাঁত আৰু ভাস্কৰ্য শিল্পী | গলিয়াহাটী | ৯১ |
| ধনন সূত্ৰধাৰ | ভাস্কৰ্য আৰু গুৰু-আসন শিল্পী | কুজিৰদহাটী | ৫২ |
| মুকুট বায়ন | ভাস্কৰ্য আৰু গুৰু-আসন শিল্পী | নহাটী | ৫৫ |
| সঞ্জীৱ বায়ন | ভাস্কৰ্য শিল্পী | গলিয়াহাটী | ৪৫ |
| শ্যামলাল দাস | ভাস্কৰ্য শিল্পী | পশ্চিম পালাংদিহাটী | ৪৩ |
| কবিন দাস | ভাস্কৰ্য শিল্পী | পূব পালাংদিহাটী | ৪৫ |
| অক্ষয় মিশ্ৰ | সংস্কৃতিৰ গৱেষক | বৃন্দাবনহাটী | ৮৬ |
| বাবুল চন্দ্ৰ দাস | সত্ৰীয়া সংস্কৃতিৰ গৱেষক | বুদৰুৰটুপ | ৬৬ |
| বশিষ্ঠ দেৱ শৰ্মা | বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া | সুন্দৰীদিয়া | ৮৪ |
| নিৰ্মল অধিকাৰী | সুন্দৰীদিয়া সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ | সুন্দৰীদিয়া | ৫৮ |
| জগন্নাথ দেৱ অধিকাৰী | সুন্দৰীদিয়া সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ | সুন্দৰীদিয়া | ৮৫ |
| ভাস্কৰ গোস্বামী | পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ | পাটবাউসী | ৪২ |
| হেমেন বুঢ়া ভকত | বৰপেটা সত্ৰৰ বুঢ়াভকত | বৰপেটা সত্ৰ | ৫০ |
| নাৰায়ণ আতৈ | পাটবাউসী সত্ৰৰ ঘাই দেউৰী | বৰপেটা সত্ৰ | ৫৮ |
| পবন দাস | গণককুছি সত্ৰৰ ভকত | গণককুছি | ৫২ |
| হেমকান্ত মহন্ত | সত্ৰাধিকাৰ, গোমূৰা সত্ৰ | সৰ্থেবাৰী | ৫৫ |
| ধ্ৰুৱ দাস | চিত্ৰ/ভাস্কৰ্য/ৰিলিফ কটা শিল্পী | পালাংদিহাটী | ৪৭ |
| সনাতন বাদ্যকৰ | সত্ৰীয়া বাদ্য নিৰ্মাতা | তেতেলীৰ তল | ৬৪ |
| শ্যামসুন্দৰ দাস | ৰিলিফ কটা শিল্পী | পালাংদিহাটী | ৫০ |
| কাৰ্তিক দাস | কাঠৰ মূৰ্তি নিৰ্মাতা | বাঘবৰ | ৬০ |
| গৌৰাংগ বাদ্যকাৰ | বাদ্য নিৰ্মাতা শিল্পী | নালীৰপাৰ | ৫৫ |
| ৰূপচান্দ বাদ্যকাৰ | বাদ্য নিৰ্মাতা শিল্পী | জনিয়াৰোড | ৫২ |
| বিক্ৰম বাদ্যকাৰ | বাদ্য নিৰ্মাতা শিল্পী | জনিয়াৰোড | ৩০ |
| অৰুণী দাস | আতচবাজী শিল্পৰ কাৰিকৰ | বৃন্দাবনহাটী | ৪৫ |
| বিৰেণ পাঠক | আতচবাজী শিল্পৰ কাৰিকৰ | ভকতপাৰা | ৪৭ |
| ছবিলাল পাঠক | আতচবাজী শিল্পৰ কাৰিকৰ | ভকতপাৰা | ৬৭ |
| ৰাতুল দাস | লোৰ কাম কৰা শিল্পী | বৃন্দাবনহাটী | ৫৫ |
| হিমুজিৎ দাস | লোৰ কাম কৰা শিল্পী | বৃন্দাবনহাটী | ৫২ |
| নিকু কৃষ্ণ কলিতা | লোৰ কাম কৰা শিল্পী | সৰভোগ | ৩০ |
| অজয় দাস | লোৰ কাম কৰা শিল্পী | হাউলী | ৫৫ |
| অলক দাস | লোৰ কাম কৰা শিল্পী | বনিয়াকুছি | ৫৭ |

| | | | |
|---|---|---|---|
| গোবিন্দ ডেকা | লোৰ কাম কৰা শিল্পী | সৰ্থেবাৰী | ৫২ |
| কৃষ্ণকান্ত দাস | পিতলৰ বস্তু নির্মাণ কৰা শিল্পী | বুদৰুৰটুপ | ৫৫ |
| হৰিদাস দাস | কাঁহ-পিতল শিল্পী | বনিয়াকুছি | ৪৪ |
| নন্দিতা ডেকা | পিতল শিল্পী | হালধিবাৰী | ৫৫ |
| বনবালা ডেকা | পিতল শিল্পী | লছিমা | ৪২ |
| ধীৰাজ দাস | পিতল শিল্পী | বনিয়াকুছি | ৪৩ |
| হৰেকৃষ্ণ ডেকা | পিতলৰ শৰাই বনোৱা শিল্পী | বনিয়াকুছি | ৫৫ |
| হৰেকৃষ্ণ দাস | অলংকাৰ শিল্পী | গলিয়াহাটী | ৫৩ |
| যতীন দাস | অলংকাৰ শিল্পী | ঘোঁৰামাৰাহাটী | ৬০ |
| ভানু দাস | কেচেলুৰীয়া হাৰ গুঠা শিল্পী | ঘোঁৰামাৰাহাটী | ৪৮ |
| অলকেশ দাস | অলংকাৰ শিল্পী | ঘোঁৰামাৰাহাটী | ৩০ |
| তৰণী বনিয়া | অলংকাৰ শিল্পী | হাউলী | ৭২ |
| কলিয়া দাস | অলংকাৰ শিল্পী | হাউলী | ৬০ |
| সঞ্জয় সৰকাৰ | অলংকাৰ শিল্পী | বৰপেটা | ৫০ |
| খোকামণি দাস | বাঁহ-বেতৰ শিল্পী | জনিয়াৰোড | ৬৩ |
| মানবেন্দ্ৰ ডেকা | বাঁহ-বেতৰ শিল্পী | শান্তিনগৰ | ৫৫ |
| অমেন ডেকা | বাঁহ-বেতৰ শিল্পী | মেটুৰাকুছি | ৬০ |
| চফিকুল আলী | বাঁহ-বেতৰ শিল্পী | ধানবন্ধা | ৪৫ |
| মাৰ্জিনা খাতুন | বাঁহ-বেতৰ শিল্পী | হাউলী | ৫০ |
| ৰুচিদা বেগম | বাঁহ-বেতৰ শিল্পী | শালমাৰা | ৬৭ |
| তাহেৰ আলী | বাঁহ-বেতৰ শিল্পী | কয়াকুছি | ৬২ |
| শ্যামলাল সৰকাৰ | বাঁহ-বেতৰ শিল্পী | মন্দিয়া | ৫৫ |
| অনন্ত পাল | খনিকৰ | কদমতলা | ৬০ |
| প্ৰতিমা পাল | খনিকৰ | কদমতলা | ৫২ |
| সন্তোষ পাল | খনিকৰ | মন্দিয়া | ৬৪ |
| বাসন্তী পাল | কুমাৰ শিল্পী | ২নং বৰদলনি, মন্দিয়া | ৯৫ |
| ৰত্না পাল | কুমাৰ শিল্পী | ২নং বৰদলনি, মন্দিয়া | ৮০ |
| বিবিনী বালা দাস | হীৰা শিল্পী | ঘোঁৰামাৰাহাটী | ৮৫ |
| পুণ্যবালা দাস | হীৰা শিল্পী | ঘোঁৰামাৰাহাটী | ৫৭ |
| হিৰণবালা দাস | হীৰা শিল্পী | ঘোঁৰামাৰাহাটী | ৫৫ |
| মনোমতী দাস | হীৰা শিল্পী | সৰুক্ষেত্ৰী, কাপলাবিল | ৮২ |
| যোগমায়া দাস | হীৰা শিল্পী | সৰুক্ষেত্ৰী, কাপলাবিল | ৫৫ |
| ডিম্বেশ্বৰ মেধি | সত্ৰীয়া সংস্কৃতি কৰ্মী | সুন্দৰীদিয়া | ৬২ |
| হিৰণময়ী দেউৰী | সত্ৰীয়া সংস্কৃতিৰ সাধক | সুন্দৰীদিয়া | ৬৬ |

| | | | |
|---|---|---|---|
| গৌতম বায়ন | বৰপেটা সত্ৰৰ গায়ন | পালাংদিহাটী | ৫০ |
| গুণীন্দ্ৰ নাথ ওজা | বৰপেটা সত্ৰৰ গায়ন | জ্যোতিগাঁও | ৫৮ |
| গুৰুপ্ৰসাদ ওজা | ওজাপালিৰ শিল্পী | বিলৰতাৰিহাটী | ৮৫ |
| অচ্যুত ওজা | ঘোষাকীৰ্তনৰ শিল্পী | দক্ষিণহাটী | ৮৫ |
| জগন্নাথ বায়ন | বৰপেটা সত্ৰৰ মুখ্য বায়ন | কুজিৰদহাটী | ৯৫ |
| হৰিদেৱ পাঠক | সত্ৰীয়া সংস্কৃতিৰ লেখক | ইচ্ছাপুৰহাটী | ৮৮ |
| নীলকান্ত সূত্ৰধাৰ | বৰপেটা সত্ৰৰ গায়ন | পালাংদিহাটী | ৮৯ |
| গোকুল পাঠক | লোক-সংস্কৃতিৰ সাধক | ভকতপাৰা | ৯০ |
| অক্ষয় কুমাৰ মিশ্ৰ | লেখক | গলিয়াহাটী | ৮০ |
| নকুল দাস | নাওখেলৰ গীতৰ শিল্পী | গজিয়া | ৫৬ |
| মনোজ কুমাৰ দাস | খোলবাদক | ঘোঁৰামাৰাহাটী | ৩২ |
| বসন্ত কুমাৰ পাটগিৰি | লোকগীতৰ শিল্পী | পাঠশালা | ৬২ |
| গয়াবালা দাস | আয়তী | ভকতপাৰা | ৬০ |
| মনোজ ভূঞা | সম্পাদক, অসম কঁহাৰ সংঘ | সৰ্থেবাৰী | ৫১ |
| ৰাজু ডেকা | কৰ্মচাৰী, অসম কঁহাৰ সংঘ | সৰ্থেবাৰী | ৫০ |
| ডুল কুমাৰ ডেকা | ৰোলিং মেচিন চলোৱা কৰ্মচাৰী | সৰ্থেবাৰী | ৫০ |
| মানৱ ডেকা | ৰোলিং মেচিন চলোৱা কৰ্মচাৰী | সৰ্থেবাৰী | ৫০ |
| ইউনিছ আলী | ৰোলিং মেচিনৰ মিস্ত্ৰী | সৰ্থেবাৰী | ৫০ |
| হকিকট যাদৱ | ৰোলিং মেচিনৰ মিস্ত্ৰী | বিহাৰ | ৫৬ |
| হিৰণ্য ডেকা | ৰোলিং মেচিনৰ মিস্ত্ৰী | সৰ্থেবাৰী | ৫২ |
| মনোজ ভূঞা | সম্পাদক, অসম কঁহাৰ সংঘ | সৰ্থেবাৰী | ৪৮ |
| প্ৰসন্নলাল ডেকা | কাঁহী বনোৱা কঁহাৰ | তালুকদাৰ চুপা, সৰ্থেবাৰী | ৫০ |
| ভাস্কৰজ্যোতি তামুলী | কাঁহী বনোৱা কঁহাৰ | তালুকদাৰ চুপা, সৰ্থেবাৰী | ৪৫ |
| বলোৰাম ডেকা | কাঁহী বনোৱা কঁহাৰ | আতাথেৰ চুপা, সৰ্থেবাৰী | ৬০ |
| গদা ডেকা | কাঁহী বনোৱা কঁহাৰ | তামুলী চুপা, সৰ্থেবাৰী | ৬৮ |
| চন্দ্ৰজিৎ তামুলী | কাঁহী বনোৱা কঁহাৰ | তামুলী চুপা, সৰ্থেবাৰী | ৫৯ |
| ব্ৰজেন তামুলী | ভোৰতাল বনোৱা কঁহাৰ | তামুলী চুপা, সৰ্থেবাৰী | ৫৩ |
| বিপুলজ্যোতি তামুলী | ভোৰতাল বনোৱা কঁহাৰ | তামুলী চুপা, সৰ্থেবাৰী | ৪৮ |
| ৰিপুণ ডেকা | ভোৰতাল বনোৱা কঁহাৰ | তামুলী চুপা, সৰ্থেবাৰী | ৫০ |
| জ্যোতিৰ্ময় ডেকা | মায়ং, বটা বনোৱা কঁহাৰ | যমোথেৰচুপা, সৰ্থেবাৰী | ৭০ |
| অকণ ডেকা | মায়ং, বটা বনোৱা কঁহাৰ | যমোথেৰচুপা, সৰ্থেবাৰী | ৫০ |
| বনমালী ভূঞা | বাটি বনোৱা কঁহাৰ | যমোথেৰচুপা, সৰ্থেবাৰী | ৫৮ |
| মুনীন ভূঞা | বাটি বনোৱা কঁহাৰ | যমোথেৰচুপা, সৰ্থেবাৰী | ৫৮ |
| সনাতন তালুকদাৰ | বাটি বনোৱা কঁহাৰ | যমোথেৰচুপা, সৰ্থেবাৰী | ৬২ |

# পৰিশিষ্ট (খ)

## তথ্য-সংগ্ৰহৰ বাবে অৱলম্বন কৰা সাক্ষাৎকাৰ-সূচী

**বিষয় — বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন**

**গৱেষক ঃ উপাসনা চৌধুৰী, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়**

**তত্ত্বাৱধায়ক ঃ ড° ডেইজী ৰাণী ডেকা, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়**

১) তথ্যদাতাৰ নাম ঃ ..........................................................................................

২) তথ্যদাতাৰ ঠিকনা ঃ ..........................................................................................

৩) বয়স ঃ ..........................................................................................

৪) লিংগ ঃ ..........................................................................................

**<u>সাক্ষাৎকাৰৰ জৰিয়তে লোকশিল্পীসকলৰ পৰা তথ্য-আহৰণৰ বাবে যুগুত কৰা প্ৰশ্নসমূহ ঃ</u>**

প্ৰশ্ন (১) ঃ আপুনি কি কি লোকশিল্পৰ নিৰ্মাণৰ সৈতে জড়িত ?

প্ৰশ্ন (২) ঃ আপুনি জড়িত হৈ থকা লোকশিল্পবিধৰ নিৰ্মাণৰ কাম কাৰ পৰা আয়ত্ত কৰিলে ?

প্ৰশ্ন (৩) ঃ আপুনি নিজে লোকশিল্পৰ নিৰ্মাণৰ প্ৰশিক্ষণ প্ৰদান কৰে নেকি বা আপোনাৰ নিজা এনেধৰণৰ শিল্প-প্ৰতিষ্ঠান আছে নেকি ?

প্ৰশ্ন (৪) ঃ আপুনি নিৰ্মাণ কৰা লোকশিল্পবিধ নিৰ্মাণৰ বাবে কি কি কেঁচা-সামগ্ৰীৰ প্ৰয়োজন হয় ?

প্ৰশ্ন (৫) ঃ প্ৰয়োজন হোৱা কেঁচা-সামগ্ৰীবোৰ আপুনি ক'ৰ পৰা সংগ্ৰহ কৰে ?

প্ৰশ্ন (৬) ঃ লোকশিল্পসমূহ নিৰ্মাণৰ বাবে কেঁচা-সামগ্ৰীবোৰ বজাৰত পৰ্যাপ্ত পৰিমাণে পোৱা যায়নে ? যদি নাযায়, কেঁচা-সামগ্ৰীসমূহ সুলভ কৰিবৰ বাবে আপোনাৰ মতে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত ?

প্ৰশ্ন (৭) ঃ আপুনি তৈয়াৰ কৰা লোকশিল্পবোৰৰ বাবে কি কি নিৰ্মাণ-সঁজুলিৰ আৱশ্যক হয় ?

প্ৰশ্ন (৮) ঃ লোকশিল্পবোৰ নিৰ্মাণৰ বাবে কিমান সময়ৰ প্ৰয়োজন ?

প্ৰশ্ন (৯) ঃ আপুনি জড়িত হৈ থকা লোকশিল্পবোৰৰ নিৰ্মাণ-পদ্ধতিৰ বিষয়ে অলপ বহলাই কওক।

প্ৰশ্ন (১০) ঃ আপোনাৰ দ্বাৰা তৈয়াৰী লোকশিল্পবোৰ কি কি কামত ব্যৱহাৰ কৰিব পাৰি ?

প্ৰশ্ন (১১) ঃ আপোনাৰ দ্বাৰা তৈয়াৰী লোকশিল্পবোৰৰ বজাৰত চাহিদা কেনে ? সেইবোৰৰ জৰিয়তে

আপোনাৰ পৰ্যাপ্ত উপাৰ্জন হয়নে? যদি নহয় ইয়াৰ বাহিৰেও আপুনি অন্য কৰ্মৰ সৈতে জড়িত হ'ব লগা হয় নেকি?

প্ৰশ্ন (১২) ঃ আপোনাৰ পৰিয়ালৰ অন্য কোনো ব্যক্তি লোকশিল্পৰ নিৰ্মাণৰ লগত জড়িত হৈ আছে নেকি?

প্ৰশ্ন (১৩) ঃ উঠি অহা চামে এই লোকশিল্পৰ নিৰ্মাণৰ বাবে আগ্ৰহী হয়নে? যদি নহয়, কিয় আৰু এই ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি আপুনি ভাবে?

প্ৰশ্ন (১৪) ঃ আপুনি নিৰ্মাণ কৰা লোকশিল্পবোৰ ক'ত ক'ত বিক্ৰী কৰে বা এইবোৰ কিনিবলৈ ক'ৰ পৰা গ্ৰাহক আহে?

প্ৰশ্ন (১৫) ঃ আপোনাৰ দ্বাৰা তৈয়াৰী লোকশিল্পবোৰ অন্য ঠাইলৈও ৰপ্তানি কৰা হয় নেকি?

প্ৰশ্ন (১৬) ঃ আপুনি যিটো লোকশিল্পৰ সৈতে জড়িত হৈ আছে, সেই লোকশিল্পৰ সৈতে জড়িত অন্য শিল্পীৰ নাম আপুনি জানেনে? যদি জানে, সেইসকলৰ নাম আৰু ঠিকনাবোৰ কওকচোন।

প্ৰশ্ন (১৭) ঃ অৰ্থনৈতিক তথা স্ব-নিয়োজনৰ ক্ষেত্ৰত আপুনি তৈয়াৰ কৰা শিল্পবস্তুবোৰে কিবা ভূমিকা গ্ৰহণ কৰিছে বুলি আপুনি ভাবেনে? যদি ভাবে কেনেদৰে ভূমিকা গ্ৰহণ কৰিছে?

প্ৰশ্ন (১৮) ঃ আপুনি জড়িত হৈ থকা লোকশিল্পটোৱে অস্তিত্বৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বুলি আপুনি ভাবে নেকি? যদি তেনে পৰিস্থিতিৰ উদ্ভৱ হৈছে, এই ক্ষেত্ৰত কেনেধৰণৰ কাৰক জড়িত হৈ আছে বুলি আপুনি ভাবে?

প্ৰশ্ন (১৯) ঃ লোকশিল্পটোক ভৱিষ্যতৰ বাবে ৰক্ষণাবেক্ষণ দিবৰ বাবে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি আপুনি ভাবে?

প্ৰশ্ন (২০) ঃ চৰকাৰীভাৱে এই ক্ষেত্ৰত কিবা সহায়-সহযোগিতা আপোনালোকে লাভ কৰিছে নেকি? যদি লাভ কৰিছে, সেই বিষয়ে অলপ কওকচোন।

প্ৰশ্ন (২১) ঃ আপুনি নিজে লোকশিল্পটোক ভৱিষ্যতৰ বাবে সুৰক্ষিত তথা প্ৰচাৰ-প্ৰসাৰ কৰাৰ স্বাৰ্থত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব? এই ক্ষেত্ৰত কিবা পৰিকল্পনা আছে নেকি?

## পৰিশিষ্ট (গ) ঃ আলোক-চিত্ৰ

# গুৰু-আসন শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ


শিল্পীয়ে ৰং কৰি থকা অৱস্থাত নাম সিংহ


নাম সিংহ


তিনি থাকযুক্ত গুৰু-আসন


গুৰু-আসন শিল্প প্ৰতিষ্ঠান

# সত্ৰীয়া বাদ্য-শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ


খোল-বাদ্যৰ সৈতে বাদ্যশিল্পীসকল


বাদ্য নিৰ্মাণ কৰি থকা অৱস্থাত শিল্পী

# ৰিলিফ/মূৰ্ত্তিৰ আলোকচিত্ৰ ঃ



জনীয়া সত্ৰৰ কাঠৰ 'বিষ্ণুৰ চতু ৰ্ভুজ ৰিলিফ'



সুন্দৰীদিয়া সত্ৰৰ কাঠৰ ৰিলিফ দুৱাৰ



বৰপেটা সত্ৰৰ কাঠৰ ৰিলিফৰ ফলক



গণককুছি সত্ৰৰ কৰলা বাঢ়ৈয়ে
কটা বিষ্ণুৰ চতুৰ্ভূজ মূৰ্ত্তি



পাটবাউসী সত্ৰত মাধৱদেৱৰ দিনত ভাওনাত ব্যৱহৃত কাঠৰ মুখা



পাটবাউসী সত্ৰৰ সংগ্ৰহালয়ত থকা গুৰু-আসনৰ অংশবিশেষ

# আতচ্‌বাজী শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



ফুলজাৰি নিৰ্মাণ কৰি থকা অৱস্থাত শিল্পী



বাখৰ খুন্দা জাত



চেৰেকীৰ সাঁচা



গণককুছিৰ আতচ্‌বাজী গাঁও




আতচ্‌বাজী শিল্পী গোপজিৎ পাঠকৰ সৈতে



বাখৰ খুন্দবলৈ ব্যৱহৃত উৰাল

# কাঁহৰ শিল্প নিৰ্মাণৰ লগত জড়িত আলোকচিত্ৰ ঃ



ৰোলিং মেছিন



কঁহাৰ সংঘৰ ভঁৰালত থকা তাল



ভঙা কাঁহ



সাদা-চুচ্ কাঁহী আৰু বাটি



ৰোলিং মেছিনত চেপেটা কৰা কাঁহৰ পাত



মাটিৰ মুহীত ঢালি দিয়া গলিত কাঁহ

# পিতলৰ শিল্প নির্মাণৰ লগত জড়িত আলোকচিত্ৰ ঃ



পিতলৰ নাগাৰাৰ খোল



পিতলৰ পাত



বৰপেটা সত্ৰৰ পিতলৰ গছা



পিতলৰ জাপি



সাতফুট উচ্চতাৰ শৰাই



মন্দিৰৰ কলচীৰ সৈতে শিল্পীসকল


# অয়-অলংকাৰ শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ


‘কেঁচেলুইৰা হাৰ’ আৰু ‘গুঁঠা শালা’


‘নেৰী’, ‘পাজাল’ আৰু ‘হাতুৰি’


ঢোলবিৰি


অলংকাৰ শিল্পত ব্যৱহৃত ‘থুলনি’


অলংকাৰ নিৰ্মাণ কৰি থকা অৱস্থাত সোণাৰী


গোসাঁইক পিন্ধোৱা ৰূপৰ হাৰ

# লো-শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



সাত ফুট উচ্চতাৰ লোৰ গছা



লোৰ ভাটি



নাল লগাই থকা অৱস্থাত শিল্পী




H- আখৰযুক্ত কটাৰী

# হাতী দাঁত-শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



হাতীৰ দাঁতৰ একমাত্ৰ জীৱিত শিল্পী
টিকেন্দ্ৰজিৎ বায়ন



হাতীৰ দাঁতৰ শিল্প নিৰ্মাণত ব্যৱহৃত সঁজুলি

# মৃৎ-শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



দুৰ্গাৰ প্ৰতিমাৰ মুখমণ্ডলৰ সাচা



ৰং কৰি থকা অৱস্থাত দুৰ্গাৰ মৃন্ময় মূৰ্ত্তি



ফুলজাৰিৰ সাচা



মাটিৰ চাকি পোৰা ভাটি



মাটিৰ চাকি নিৰ্মাণ কৰি থকা অৱস্থাত
মন্দিয়াৰ কুমাৰ শিল্পী



নিৰ্মাণ কৰি থকা অৱস্থাত কালীৰ মৃন্ময় মূৰ্ত্তি

## বাঁহ-বেত শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



নিৰ্মাণ কৰি থকা অৱস্থাত বাঁহৰ ‘ডুলি’



বেতৰ চকী তৈয়াৰ কৰি থকা অৱস্থাত শিল্পী



বেত-শিল্প নিৰ্মাণত ব্যৱহৃত সঁজুলি



বাঁহৰ জপা

## বয়ন শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



বৰপেটাৰ বিশেষ ‘আক্‌ল কাপোৰ’




‘আনাকাটা’ কাপোৰ

# কাঠ-শিল্পৰ লগত জড়িত আলোকচিত্ৰ ঃ



শিল্পৰ সৈতে শিল্পী মুকুট দাস



কাঠৰ হাতী



কাঠৰ পাঞ্জা



কাঠৰ গঁড়



কাঠৰ প্ৰতীকী গুৰু-আসন



কাঠৰ ঘটি

# বাতৰি কাকতত প্ৰকাশিত বৰপেটাৰ বিভিন্ন শিল্পীৰ শিল্পকৰ্ম সম্পৰ্কীয় বাতৰিৰ আলোকচিত্ৰ ঃ


লণ্ডন-মস্কোৰ যাদুঘৰ শুৱনি কৰিছে সনাতনৰ দোতৰা-ডবাই

লণ্ডন-মস্কোৰ যাদুঘৰ শুৱনি কৰিছে সনাতনৰ

নতুন দিন, ২০০৫


ইতিহাস হ'ল বৰপেটাৰ হাতীদাঁত শিল্প

এনাজৰী পুস্তিকা, ২০০৭



Panorama

Exquisite CARVING

আচাম ট্ৰিবিউন, ২০০৮


The ivory man

আচাম ট্ৰিবিউন, ২০০৯


আমেৰিকা-দিল্লীত উজলিছে কাৰুশিল্পী মুকুট বায়নৰ সৃষ্টিকৰ্ম

আমাৰ অসম, ২০১৫


A craftsman's mission of winning the world through his craft

আচাম ট্ৰিবিউন, ২০১৫

# পৰিশিষ্ট (ঘ) ঃ
# বৰপেটা জিলাৰ মানচিত্ৰ



ISSN: 2454-3837

Vol.-VII | Issue-I | March 2021

# সম্প্ৰীতি
# sampriti

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

Double Blind Peer Reviewed National
Research Journal of Humanities and Social Sciences



**UGC-CARE**
**Listed Journal**
(Bi-Lingual)

ISSN 2454-3837

সম্প্ৰীতি

Editor in Chief
Dr. Dhiraj Patar

Assistant Editor
Dr. Rumi Patar

অসমীয়া লোকগীতত লোকশিল্পৰ স্বৰূপ ঃ এক আলোচনা
*উপাসনা চৌধুৰী, ড° ডেইজী ৰাণী ডেকা* 231-241

শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাত ৰাম ঃ এটি তুলনামূলক অধ্যয়ন (*কীৰ্ত্তন-ঘোষা*, বৰগীত আৰু *ৰামবিজয় নাটক*ৰ বিশেষ উল্লিখনসহ)
*ড° হৰি প্ৰসাদ বৰুৱা* 242-254

লক্ষ্মীনাথ বেজবৰুৱাৰ *চক্ৰধ্বজ সিংহ* নাটকত বুৰঞ্জীৰ সমল
*ড° মমী শৰ্মা* 255-263

অসমৰ প্ৰথম মহিলা কবি পদ্মপ্ৰিয়া ঃ সামগ্ৰিক আলোচনা
*উৎপল নাৰায়ণ গোস্বামী, ড° কাকলি গগৈ* 264-272

তাই-খামতিসকলৰ পয়চাংকেন ঃ এটি অধ্যয়ন
*চন্দ্ৰ মানচে* 273-280

এজন গল্পকাৰ, এটা গল্প আৰু এটা ধাৰা (সৌৰভ কুমাৰ চলিহাৰ'অশান্ত ইলেক্ট্ৰন' ঃ বিশ্লেষণাত্মক অধ্যয়ন)
*ড° সঞ্জীৱ বৰা* 281-292

The Mahjar Women Writers and their contributions
*Dr. Abul Kalam Choudhury* 293-303

Employee Satisfaction in Public Sector Units in emerging economies
*Dr. Amandeep Dhaliwal, Ms. Priyanka Rani* 304-320

An Insight To Folk Learning Behaviour In Pandemic Crisis: Issues & Chalanges
*Ambeswar Gogoi, Rudranarayan Mohapatra* 321-329

Exploration of School Internship Experiences of the B.Ed. Trainees under Dibrugarh University
*Bhaswatee Boruah* 330-344

Empowering Indian Administration through E-Governance: Prospects and Challenges
*Bibhuti Bhusan Biswas* 345-358

Green crime: Political Economy of the state and Environmental Consciousness
*Bijit Das, Dr. Joyanta Borbora* 359-372

The Religious Practices and Beliefs Among the Singphos : A Short Study in the Village Bisa Gaon Near Ledo
*Dr. Bijuli Barman, Pratibha Bezbaruah* 373-380

Sampriti
Vol : Vol.-VII, Issue-I, March 2021
ISSN : 2454-3837
Pages : 231-241

# অসমীয়া লোকগীতত লোকশিল্পৰ স্বৰূপ ঃ এক আলোচনা

উপাসনা চৌধুৰী
*গৱেষক,* (Correspondent Author) *অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়*
*Email : choudhuryupashana@gmail.com*

ড° ডেইজী ৰাণী ডেকা
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়*
*Email : daisyneelabh27@gmail.com*

**সংক্ষিপ্ত সাৰ**

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসমৰ লোক-সংস্কৃতি অতি চহকী। বিভিন্ন জাতি-জনগোষ্ঠীয় উপাদানেৰে অসমীয়া লোক-সংস্কৃতি সমৃদ্ধ। লোক-সংস্কৃতিৰ অন্যতম ভাগ হ'ল লোক-সাহিত্য। লোক-সাহিত্য হ'ল কৃষিজীৱী সমাজৰ মুখে মুখে প্ৰচলিত নৈৰ্ব্যক্তিক সাহিত্য। অসমীয়া লোক সাহিত্যক লোকগীত, প্ৰবাদ-প্ৰবচন, সাধুকথা আদি ভাগত ভাগ কৰা হয়। লোকগীতবোৰ হ'ল চঁহা প্ৰাণৰ সৰল অভিব্যক্তি। লোকগীতবোৰ স্বভাৱ কবিৰ সুখ-দুখ, হাঁহি-কান্দোন, জীৱন-নিৰ্বাহ প্ৰণালীৰ অলিখিত বুৰঞ্জী সদৃশ। সৃষ্টিৰ আদিম স্তৰৰ পৰাই লোকসমাজৰ লোকসংস্কৃতিৰ স্বৰূপ প্ৰকাশ পোৱাৰ অন্যতম মাধ্যম হ'ল লোকগীত বা লোককবিতা সমূহ। অসমীয়া লোকগীতবোৰ বিভিন্ন প্ৰসংগ-অনুষংগত পৰিৱেশন কৰা হয়। বিয়াগীত, বিহুগীত, আইনাম, নাওখেলৰ গীত, নিচুকণি গীত আদিৰ মাজত জাতিটোৰ লোকসংস্কৃতিৰ বিভিন্ন উপাদান সংপৃক্ত হৈ আছে।

লোকসংস্কৃতিৰ অন্তৰ্গত ভৌতিক সংস্কৃতি বা বস্তুগত সংস্কৃতিৰ অন্যতম ভাগ হ'ল লোকশিল্প। অসমীয়া লোকশিল্পৰ ইতিহাস অতি বৈচিত্ৰ্যময়। লোকসমাজত অৰ্থনৈতিক আৰু সামাজিক প্ৰয়োজনৰ তাগিদাত কাঠ, বাঁহ, বেত, মাটি, ধাতু আদি পৰিৱেশৰ পৰা পোৱা উপাদানেৰে লোকশিল্পীয়ে নিৰ্মাণ কৰি লয় নানা লোকশিল্প। মৃৎ শিল্প, আ-অলংকাৰ শিল্প, বাঁহ-বেতৰ শিল্প আদি অসমীয়া লোকশিল্পৰ সুন্দৰ নিদৰ্শন। অসমীয়া লোকগীত বা কবিতাবোৰৰ মাজত স্থান লাভ কৰিছে নানাবিধ লোকশিল্পৰ প্ৰসংগই। লোকশিল্পৰ সাৰ্বজনীন বিশেষত্ব থাকিলেও ঠাই আৰু সংস্কৃতি ভেদে ইয়াৰ সুকীয়া সুকীয়া বৈশিষ্ট্যও পৰিলক্ষিত হয়। অসমীয়া লোকগীতবোৰৰ মাজত লোকশিল্পৰ বৈশিষ্ট্যসমূহ প্ৰতিভাত হৈছে। কিয়নো লোকগীতবোৰ হ'ল লোক সমাজৰ জীৱন্ত দলিল সদৃশ। কোনো এখন ঠাইৰ লোকগীত অধ্যয়নৰ জৰিয়তে লোকসমাজত ব্যৱহৃত লোকশিল্পৰ ব্যৱহাৰ, গুৰুত্ব, লোকবিশ্বাস সম্পৰ্কেও জ্ঞান লাভ কৰা যায়। আমাৰ এই অধ্যয়নত অসমীয়া লোকগীতবোৰৰ মাজত লোকশিল্পৰ প্ৰসংগ কেনেদৰে প্ৰতিফলিত হৈছে তাক বিশ্লেষণ কৰা হ'ব।

**সূচক শব্দ ঃ** লোকগীত, লোকশিল্প, বিয়াগীত, লোকসাহিত্য, মৃৎ শিল্প।

**০.০ অৱতৰণিকা ঃ**

লোক সংস্কৃতিৰ অন্যতম ভাগ হ'ল লোক সাহিত্য। কৃষিজীৱী জনসাধাৰণৰ মাজত প্ৰচলিত মৌখিক সাহিত্যই হ'ল লোক সাহিত্য বা বাচিক কলা। 'জাতিৰ আদিম স্তৰৰ পৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ চলি থকা জনশ্ৰুতিয়েই হ'ল লোক সাহিত্য। ই পদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত' (বৰুৱা ৯)। লোক সাহিত্যৰ মাজত লোক সমাজৰ জীৱন নিৰ্বাহ পদ্ধতিৰ চিত্ৰৰ প্ৰকাশ ঘটে। এখন লোক সমাজৰ অলিখিত বুৰঞ্জী হ'ল লোক সাহিত্যসমূহ। লোক সমাজ এখনৰ ধৰ্ম, বিশ্বাস, লোকাচাৰ, অভিজ্ঞতা সঞ্চয় কৰি থোৱা ভঁৰাল হ'ল লোক সাহিত্য। লোক সাহিত্যৰ ভিতৰত অতি সংবেদনশীল ভাগ হ'ল লোকগীত বা কবিতাসমূহ। লোক সমাজ এখনৰ প্ৰকৃত স্বৰূপৰ বিচাৰ কৰিব লাগিলে লোকগীতৰ মাজত তাৰ প্ৰতিচ্ছবি পোৱা যায়। লোক সমাজৰ জীৱন ধাৰাৰ লগত গভীৰভাৱে সংপৃক্ত হৈ থকা লোকশিল্প (Folk Crafts) বোৰেও লোকগীতত স্থান লাভ কৰে। লোক শিল্পবোৰে সমাজ এখনৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজনত সৃষ্ট শিল্পসমূহকে সূচায়। এই শিল্পবোৰৰ লগত লোকসমাজ এখনৰ লোকাচাৰ, বিশ্বাস আদি জড়িত হৈ থাকে। লোক সমাজ এখনৰ স্বভাৱ শিল্পী এজনে প্ৰকৃতিৰ পৰা প্ৰাপ্ত উপাদানবোৰৰ সহায়ত লোকশিল্পবোৰ নিৰ্মাণ কৰে। যিহেতু লোকশিল্প আৰু লোকশিল্পী উভয়েই লোকসমাজৰ লগত জড়িত গতিকে স্বাভাৱিকতে লোকশিল্পৰ প্ৰসংগ লোকগীতবোৰৰ মাজত উত্থাপন হয়।

অসমীয়া লোক সাহিত্যৰ ভিতৰত প্ৰধানকৈ '১। লোকগীত, ২। ফকৰা যোজনা আৰু প্ৰবচন, ৩। সাধুকথা পৰে' (শৰ্মা ১১)। অসমীয়া লোক সমাজৰ বিভিন্ন দিশ লোকশিল্পৰ মাজত প্ৰতিভাত হৈছে। এই লোকগীতসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি - '১।

অনুষ্ঠানমুলক, যেনে- বিহুগীত, আইনাম, বিয়ানাম ইত্যাদি, ২। আখ্যানমুলক, যাক ইংৰাজীত বেলাড বোলা হয়, যেনে - মনি কোঁৱৰৰ গীত, শান্তি বাৰমাহীৰ গীত, বৰফুকনৰ গীত ইত্যাদি, ৩। বিবিধ বিষয়ক, যেনে - নিচুকণি গীত, গৰখীয়া গীত, নাও খেলোৱা গীত ইত্যাদি' (শৰ্মা ২১)। এইবিহু নাম, আইনাম, বিয়াগীত, নিচুকণি গীত আদিৰ মাজেৰে প্ৰকাশ লাভ কৰিছে নানাবিধ লোকশিল্পই। মৃৎ শিল্প, বয়ন শিল্প, আ-অলংকাৰ শিল্প আদি লোকগীতবোৰত স্বতঃস্ফূৰ্ত ৰূপত প্ৰকাশ লাভ কৰিছে। আমাৰ আলোচনা পত্ৰত লোকগীতবোৰৰ মাজত লোক শিল্পই কেনেদৰে প্ৰকাশ লাভ কৰিছে তাক বিশ্লেষণ কৰা হ'ব।

**০.১ অধ্যয়নৰ লক্ষ্য আৰু গুৰুত্ব ঃ**

লোকগীতসমূহৰ মাজেৰে লোকসমাজৰ জীৱন নিৰ্বাহ প্ৰণালীৰ স্বৰূপ প্ৰকাশ পায়। লোকশিল্প সমূহে লোকগীতত বিশেষ স্থান লাভ কৰে। কোনো এখন সমাজৰ লোকশিল্পৰ স্বৰূপ জানিব বিচাৰিলে লোকগীতসমূহৰ অধ্যয়নৰ আৱশ্যক। আমাৰ অধ্যয়নৰ জৰিয়তে লোকগীত সমূহত গুৰুত্ব লাভ কৰা লোকশিল্পৰ প্ৰসংগ বিচাৰ কৰা হ'ব। ইয়াৰ জৰিয়তে অসমীয়া লোক সমাজৰ জীৱন ধাৰাৰ লগত সম্পৰ্কিত লোকশিল্পৰ পৰিচয় পোৱা যাব।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

আমাৰ অধ্যয়নত মূলত বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। বিষয়বস্তুৰ আলোচনাৰ সুবিধাৰ্থে স্থান ভেদে বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হ'ব।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

অধ্যয়নৰ পৰিসৰ হিচাপে অসমীয়া লোকশিল্পৰ অন্তৰ্গত মৃৎ শিল্প, কাঠ, বাঁহ বেতৰ শিল্প, আ-অলংকাৰ শিল্প, বয়ন শিল্পক সামৰা হৈছে। লগতে লোকগীতবোৰৰ বিয়াগীত, বিহুগীত, জুনা, আইনাম, দেহবিচাৰৰ গীত আদিত লোকশিল্পৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে তাক বিচাৰ কৰা হৈছে।

**০.৪ অধ্যয়নৰ সমল ঃ**

অধ্যয়নৰ মুখ্য সমল হিচাপে বিয়াগীত, বিহুগীত, আইনাম আদি লোকগীতবোৰক লোৱা হ'ব। লগতে বিভিন্ন প্ৰসংগ গ্ৰন্থপঞ্জী, প্ৰবন্ধ পাতিৰো সহায় লোৱা হ'ব।

**১.০ লোকশিল্পৰ ধাৰণা ঃ**

লোকশিল্প (Folk Crafts) জীৱনৰ বাস্তৱ দিশৰ লগত জড়িত। ভৌতিক সংস্কৃতি বা বস্তুগত সংস্কৃতিৰ অন্তৰ্গত 'লোকশিল্পৰ উদ্দেশ্য বাস্তৱ দিশ অৰ্থাৎ সামাজিক আৰু অৰ্থনৈতিক দাবী পূৰণ কৰা' (শৰ্মা ২০)। লোকসমাজত জনসাধাৰণে জীৱনৰ প্ৰয়োজনৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি পৰম্পৰাগতভাবে তৈয়াৰ কৰি লয় লোকশিল্প বা হাতেৰে নিৰ্মিত শিল্পসমূহ। লোকশিল্প সমূহৰ উপাদান হ'ল পৰিৱেশৰ পৰা প্ৰাপ্ত সম্পদসমূহ - কাঠ, বাঁহ, মৰাপাট, মাটি, বেত আদি। এই উপাদানবোৰ লোকশিল্পীসমূহৰ হাতৰ পৰশত শিল্পবস্তুলৈ ৰূপান্তৰিত হয়। যাৰ থাকে দৈনন্দিন জীৱনত প্ৰয়োজনীয়তা। কনক চন্দ্ৰ চহৰীয়াই *অসমৰ সংস্কৃতি অধ্যয়ন* শীৰ্ষক গ্ৰন্থত উল্লেখ কৰা অনুসৰি 'লোক জীৱনত ব্যৱহাৰৰ উপযোগীকৈ যিবোৰ বস্তু পৰম্পৰাগতভাবে

কোনোৱে ইয়াক হস্তশিল্পও (Handicrafts) প্ৰস্তুত কৰি লোৱা হয়, সেইবোৰেই লোকশিল্প। *Oxford English Dictionary* ত উল্লেখ থকা অনুসৰি - 'The বোলে' (চহৰীয়া ১৩৪)। making of traditional objects, usually by hand or by traditional methods, objects so made.' (ইন্টাৰনেট)।

লোকশিল্প জনজীৱনৰ এক অপৰিহাৰ্য অংগ। আদিম সভ্যতাৰ বিকাশৰ লগে লগে লোকশিল্পৰো বিকাশ হৈছিল। অসমত আহোম ৰাজত্বকালত লোকশিল্পই বিকাশ লাভ কৰে। তাৰ আগতে 'পুৰণি তাম্ৰশাসন সমূহতো সোণ আৰু সোণেৰে নিৰ্মিত সামগ্ৰীৰ উল্লেখ আছে' (শইকীয়া ২১৫)। বিদেশী পৰ্যটকৰ টোকাতো - অসমীয়া লোকশিল্পৰ পৰিচয় পোৱা যায় *'হৰ্ষচৰিত', 'কালিকা পুৰাণ'* আদি গ্ৰন্থতো নানাবিধ হস্তশিল্পৰ উল্লেখ আছে। আহোম ৰাজত্ব কালত সোণাৰী, কুমাৰ, কঁহাৰ আদি নানা বৃত্তিজীৱী সম্প্ৰদায়বোৰে গুৰুত্ব লাভ কৰিছিল। অসমীয়া লোকশিল্পৰ ক্ষেত্ৰত জনজাতীয় উপাদানৰ লগতে দক্ষিণ-পূব এচিয়াৰ বিভিন্ন উপাদানৰো প্ৰভাৱ দেখা যায়। মৃৎ শিল্প, বস্ত্ৰশিল্প, আ-অলংকাৰ শিল্প, ধাতুৰে নিৰ্মিত শিল্পবোৰে অসমীয়া লোকশিল্পৰ ক্ষেত্ৰখনত চহকী কৰিছে।

২.০ লোকগীতত মৃৎশিল্প ঃ

মাটি হ'ল শিল্প নিৰ্মাণৰ আটাইতকৈ সহজলভ্য উপাদান। জনজীৱনত পোন প্ৰথমে ব্যৱহৃত পাত্ৰ হ'ল মাটিৰ পাত্ৰ। অসমীয়া লোকসমাজত ঘৰুৱা কাৰ্যত ব্যৱহাৰৰ উপৰিও নানা মাংগলিক কাৰ্যত মাটিৰে নিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰ হয়। হীৰা আৰু কুমাৰ এই দুটা সম্প্ৰদায়ৰ লোকে অসমত মৃৎপাত্ৰ সমূহ নিৰ্মাণ কৰে। চৰু, মলা, ঘট, কাটা, টেকেলি, বেইৰা, গছা, ধূপদানী, হাৰি আদি মৃৎপাত্ৰ দৈনন্দিন জীৱনত ব্যৱহৃত হয়।

অসমীয়া লোক সমাজত বিবাহ অনুষ্ঠানৰ উপলক্ষত পৰিৱেশন কৰা বিয়াগীত বা বিয়া নামবোৰত মৃৎ শিল্পৰ নানা প্ৰসংগই স্থান লাভ কৰিছে ---

(ক) কাযে ঘট লোৱা ৰাধা মাথে লোৱা মালা।
যমুনাক যাব লাগে নকৰিবা হেলা।। (শৰ্মা ১৮৪) (নামনি অসমত প্ৰচলিত)

(খ) কাঁচা আমাৰ ঠানি
কুমাৰৰ টেকেলি বংশী নদীৰ পানী এ (সংগৃহীত, কিৰণবালা দাস)

বিয়াগীতত উল্লেখ থকা ঘট হৈছে ধৰ্মীয় প্ৰকাৰ্যত ব্যৱহৃত পাত্ৰ। আয়তীসকলে কুমাৰে নিৰ্মাণ কৰা ঘট, টেকেলি ব্যৱহাৰ কৰি বিয়াৰ পানী তোলে। মালাঘট বা থাকৃৰি পানীৰে পৰিপূৰ্ণ কৰি শুভ চিন বুলি বিশ্বাস কৰা হয়। বিয়াগীত সমূহৰ মাজত বহুতো মৃৎ পাত্ৰৰ উল্লেখ পোৱা যায়। মঙ্গল ঘট বা টেকেলিত কাঁচা আমৰ ঠানি আৰু সেন্দুৰেৰে ফোঁট দিয়া নিয়ম অসমীয়া সমাজত প্ৰচলিত। আকৌ দৰা-কইনাক নখ কাটি দিবলৈ নাপিত (বেজ) আহোতে চৰুত দিয়া দান বৰঙণিৰ প্ৰসংগত 'নখ কমোৱা গীত'বোৰৰ মাজত এনেদৰে পোৱা যায় ---

বেজৰ মোনাখন সৰু।
চাউল ধৰে চৰু ধৰে আৰু ধৰে গৰু।। (শৰ্মা ৩১৪)

আইনাম সমূহতো মৃৎ শিল্পীৰ নানাবিধ পাত্ৰৰ উল্লেখ পোৱা যায় ---

চৰু ভৰা শুক্কা গুৱা মনে ৰঙ্গে ল'বা।
আমি কাৰণী কৰোঁ দায়া কৰি যোৱা।। (শৰ্মা ৫৮)

(হাজো অঞ্চলৰ আইনাম)

পাউৰা উৎসৱৰ অনুষংগত পৰিৱেশন কৰা পাউৰা-সংস্থাপনৰ গীত পদবোৰতো মৃৎ পাত্ৰৰ উল্লেখ পোৱা যায় এনেদৰে —

দেউৰ গুৰিতে অ কাঁচ পাতে।।
এটা কুমুৰা চৰু অ কাঁচ পাতে।।
এমুঠি মলুখা ধৰে
কাঁচ পাতে মাজতে নামাতে।। (শৰ্মা ৩৫৬)

পাউৰা সংস্থাপনৰ সময়ত মাটি চৰু, টেকেলি আদিৰ ব্যৱহাৰ দেখা যায়। মাটিৰ পাত্ৰ ব্যৱহাৰ ধৰ্মীয় কাৰ্যৰ অপৰিহাৰ্য অংগ। চৰু, মলা, চাকি আদিৰ বহুল ব্যৱহাৰে অসমীয়া মৃৎ শিল্পৰ লোকপ্ৰিয়তা আৰু সামাজিক গুৰুত্বৰ কথা সূচিত কৰে। ল'ৰা-ছোৱালী ওমলাবলৈ পৰিৱেশ কৰা নিচুকণি গীততো লোকসমাজত ব্যৱহৃত মৃৎ পাত্ৰই স্থান লাভ কৰিছে এনেদৰে —

চাউল দিম চৰু দিম
বৰপীৰাখন পাৰি দিম। (সং ঃ মনোমাই দাস)

লোকগীতবোৰৰ মাজত মৃৎ শিল্পৰ নানা প্ৰসংগ উত্থাপন হৈছে, এইবোৰৰ লগত নানা লোকবিশ্বাসও জড়িত হৈ আছে। সৰু ল'ৰা-ছোৱালীয়ে ভয় বা চখ খালে ভৰা কলহৰ পানী পান কৰিবলৈ দিয়া বিশ্বাসও অসমীয়া লোক সমাজত বিদ্যমান। ন-কইনাই চাউলেৰে পৰিপূৰ্ণ ঘট ভৰিৰে ঠেলি গৃহ প্ৰৱেশ, তোলনি বিয়াৰ সময়ত চাকি গচকি ভগা আদি নানা বিশ্বাস লোক সমাজত প্ৰচলিত।

**৩.০০ লোকগীতত বয়ন শিল্প ঃ**

অন্ন, বস্ত্ৰ, বাসস্থান মানুহৰ মৌলিক প্ৰয়োজন। লোক সমাজত ব্যৱহৃত সাজ-পাৰে লোক সমাজখনৰ পৰিচয় দাঙি ধৰে। পুৰণি অসমীয়া বয়নশিল্প ভাৰতবৰ্ষৰ ভিতৰতে অগ্ৰণী আছিল (শৰ্মা ৩৬৫)। কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত অলংকাৰ সহিতে ক্ষৌম বস্ত্ৰ বা পাট বস্ত্ৰ আছিল। ইয়াৰ পৰাই অসমীয়া লোকসমাজৰ বয়নশিল্পৰ প্ৰতি থকা আগ্ৰহৰ উমান পাব পাৰি। আহোম ৰাজত্বকালত অসমীয়া ৰমণীয়ে যুদ্ধলৈ যাবলৈ ওলোৱা বীৰসকলক কবচ কাপোৰ একে ৰাতিৰ ভিতৰতে বৈ দিছিল। অসমীয়া লোকগীত সমূহৰ মাজত বয়নশিল্পৰ স্বৰূপ সুন্দৰভাৱে প্ৰকাশ পাইছে। অসমীয়া শিল্পীয়ে পাট, মুগা, সূতা, এড়ী আদি উপাদানেৰে প্ৰস্তুত কৰিছিল 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা' মনোৰম বস্ত্ৰ।

মধ্যযুগৰ পৰাহে অসমীয়া বস্ত্ৰৰ বিশিষ্টতা উজ্জ্বল ৰূপত প্ৰকাশ পায়। 'বস্ত্ৰশিল্প আৰু সাজ-পাৰ সম্পৰ্কীয় যিবোৰ উল্লিখন বা বিৱৰণ আমাৰ লোক সাহিত্য আৰু শিষ্ট সাহিত্যৰ মাজত পোৱা গৈছে তেনে উল্লিখন আৰু বিৱৰণ বিলাকৰ মাজত পুৰণি বীজ নিহিত হৈ থাকিলেও বাহিৰৰ ৰূপত মুখ্যতঃ মধ্যযুগ আৰু তাৰ পৰৱৰ্তী কালৰ সাঁচেই তাত বেছি তথাপি ইবিলাকৰ মাজত নিহিত হৈ থকা প্ৰাচীনত্বই অসমীয়া বস্ত্ৰশিল্পৰ প্ৰাচীনত্বৰ ইংগিত বহন কৰি আহিছে।

আমাৰ বিহুনাম বিলাকত তেনে বীজৰ অনুসন্ধান কৰিব পাৰি' (শইকীয়া ২০৭)। ড° নগেন শইকীয়াই *'অসমীয়া মানুহৰ ইতিহাস'* শীৰ্ষক গ্ৰন্থত অসমীয়া বিহুনামত মুগাৰ মহুৰা, মাকো, মৰুৰা কাঠৰ যঁতৰ, কেতেকী চৰায়ে সৰু সূতা কটাৰ প্ৰতীক চিত্ৰ, ঠেকেটি যঁতৰ ভঙাৰ উল্লেখ, নিহু কাপোৰৰ প্ৰসংগ, কাচুটি সুলকি পৰাৰ প্ৰসংগ, এড়িয়া আৰু কপাহী কাপোৰৰ প্ৰসংগ আদি অজস্ৰ প্ৰসংগ ঠাঁহ খাই থকাৰ উল্লেখ কৰিছে (শইকীয়া ২০৭)। অসমীয়া বিহুগীতত বয়ন শিল্পৰ লগত জড়িত অজস্ৰ প্ৰসংগই স্থান লাভ কৰিছে। এইবোৰে অসমীয়া শিপিনীৰ কাৰ্যদক্ষতাৰ উমান দিয়ে।

(ক) দীঘলে দীঘলে কৰোঁ তাঁতে বাটি
লেখে বুঢ়ী আয়ে বিহা। (শৰ্মা ৪০)

(খ) তলে গৰকা ওপৰে নাচনী
তাঁত চাৰি বাটি ব। (শৰ্মা ৪০)

(গ) ৰাতিটোৰ ভিতৰত কাটে পাঁজি সূতা
পুৱালৈ তৰিলে তাঁত। (শৰ্মা ৪০)

(ঘ) ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলোঁ তাঁত,
টোপোলাৰ সেন্দুৰ টোপোলাতে থাকিল
খাবলৈ নহ'লে ভাত। (শৰ্মা ২৫১)

(ঙ) অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো;
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ। (শৰ্মা ২৪৯)

হাঁহিৰ খোৰাক জগোৱাৰ উদ্দেশ্যে ৰচিত কঁপাহৰ জুনা, তাঁতীৰ জুনা আদি লোকগীতবোৰত তাঁতশালখনৰ লোকসমাজ জীৱনত গুৰুত্ব সম্পৰ্কে উমান পাব পাৰি। অসমীয়া লোকসমাজত তাঁত বব নজনা তিৰোতাক ব্যঙ্গ কৰা হয়। অকাজী, এলেহুৱা, তাঁত ববলৈ নজনা তিৰোতাৰ হাস্যৰসাত্মক পৰিস্থিতিৰ বিৱৰণ কপাহৰ জুনাৰ বিষয়বস্তু।

(ক) সৰুজনী বুলিলে বৰজনী বাই।
পিজলী কপাহখিনি ক'ত ক'ত পায়।।
- - - - - - - - - - - - -
চাউল ছ-পুৰাৰে পিঠাগুৰি খুন্দি।
মৰুৱা হাটৰে কপাহ আনে কিনি।। (গগৈ ১১৭)

(খ) এসেৰা কাটিলে মাজনিশা ৰাতি।
তাৰে বান্ধিলে দঁতাল হাতী।।
এসেৰা কাটিলে সবাতোকৈ সৰু
তাৰে বান্ধিলে ভতৰা গৰু।। (গগৈ ১১৮)

এই জুনাটোৰ পৰৱৰ্তী অংশটোত শিপিনীয়ে নিম্নমানৰ কাপোৰ বোৱাৰ বাবে পৰ্বতীয়া নগা মিকিৰবো ঢকা খাবলগীয়া হোৱাৰ কথা উল্লেখ আছে। তাঁতীৰ জুনাত ৰাধাৰ বাবে কৃষ্ণই ব'বলৈ দিয়া কাপোৰৰ উল্লেখ পোৱা যায় —

দীঘলে সাৰংগ পুতলে বৰ।
তাৰ আগে দিবা গুণা বিস্তৰ।।
শিৰত লিখিবা বসুদেৱ পিতা।
ওৰণীত লিখিবা দৈৱকী মাতা।। (গগৈ ১১৫)

জুনাটোত কৃষ্ণই কেনেকৈ ক'ত কি ফুল বাছিব তাৰ পৰামৰ্শ দিছে। চম্পা, বকুল, বাবৰি, তগৰ আদি বিভিন্ন বিষয়ৰ ফুল তুলিবলৈ পৰামৰ্শ দিছে। 'এই বিৱৰণত যে বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ আছে, সেই কথা নক'লেও হ'ব' (শইকীয়া ২০৭)। তেনেদৰে যঁতৰৰ জুনাত যঁতৰৰ জন্ম বৃত্তান্ত দাঙি ধৰা হৈছে। যঁতৰৰ লগত জড়িত বিভিন্ন সামগ্ৰীৰ পৰিচয় পোৱা গৈছে।

অসমীয়া বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা বিয়া গীতবোৰৰ মাজত বৰ কাপোৰ, চুৰিয়া, ৰিহা-মেখেলা, ফুলাম কাপোৰ, সিংখাপৰ মেখেলা আদি বস্ত্ৰসম্ভাৰে স্থান লাভ কৰিছে।

গা-ধুই আইদেউ মাকক সুধিলে
মোলৈ কি সাজ আছে;
ছাঁতে শুকুৱা মুঠিতে লুকুৱা
তোমালৈ সেই সাজ আছে। (বিয়াগীত) (গগৈ, ৫০)

অসমীয়া শিপিনীৰ কাৰ্য-কুশলতাৰ নিদৰ্শন এই বিয়াগীতবোৰৰ মাজত উত্থাপন হোৱা দেখা যায়। বিভিন্ন ফুল আৰু চানেকীৰে শিপিনীয়ে মনোৰম বস্ত্ৰ তৈয়াৰ কৰে। অসমীয়া গামোচাখন জাতীয় সংস্কৃতিৰ প্ৰতীক স্বৰূপ —

গা চাই গামোচা আনাগৈ ঘুনুচা
কঁকাল চাই মেখেলা আনা। (গগৈ ৪৯) (বিয়াগীত)
বৰ বৰিবাক আহিছে শহুৰ
পাটৰ ধুতীখনি পিন্ধি
সোণা মুৰা জোৰাই আহি পাইছে
কলৰ গুৰিত থৈছে আনি। (দৰা আদৰা গীত) (সং ঃ কিৰণ দাস)

দৰা আদৰা নামত পুৰুষে ব্যৱহাৰ কৰা পাটৰ বস্ত্ৰৰ উল্লেখ পোৱা যায়। তেনেদৰে মহিলাই পৰিধান কৰা, ৰিহা, মেখেলা, চাদৰ আদিও লোকগীতত স্থান পাইছে। মালিতা, বিয়াগীত, বিহুগীত, জুনা আদিত অসমীয়া বয়ন শিল্পৰ পৰিচয় পোৱা যায়।

**৪.০ লোকগীতত আ-অলংকাৰ শিল্প ঃ**

অসমীয়া মানুহে সোণ, ৰূপ, তাম, পিতলেৰে নিৰ্মিত তথা নানা বাখৰযুক্ত অলংকাৰ পৰিধান কৰে। পুৰুষ আৰু নাৰীভেদে সুকীয়া সুকীয়া অলংকাৰ পৰিধান কৰা দেখা যায়। অসমত সোণ-ৰূপৰ অলংকাৰ তৈয়াৰ কৰিবলৈ 'সোণাৰী' নামৰ একশ্ৰেণীৰ বৃত্তিজীৱী সম্প্ৰদায় আছে। আমাৰ লোক সাহিত্যত কপাল, বাহু, নাক, হাতৰ ঠাৰি, আঙুলি, গল আদিত নানা

অলংকাৰ পৰিধান কৰাৰ কথা আছে। এই অলংকাৰ সমূহে অসমীয়া পুৰুষ-নাৰীৰ সৌন্দৰ্য সচেতনতাৰ দিশটো প্ৰতিফলিত কৰে।

বিয়াগীতবোৰত অলংকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিবাহৰ উপলক্ষত দৰা-কইনাক নানা অলংকাৰেৰে অসমীয়া সমাজত সজাই-পৰাই তোলা হয়। অলংকাৰ পৰিধানক সৌভাগ্যৰ প্ৰতীক ৰূপে বিশ্বাস কৰা হয়। জোৰোণ পিন্ধাবলৈ অহাৰ সময়তো অন্যান্য বস্তুসহিতে সামৰ্থ অনুসৰি কইনাৰ গৃহলৈ অলংকাৰো লৈ অহা হয়। অসমীয়া বিয়াগীতত অলংকাৰৰ প্ৰসংগই এনেদৰে স্থান লাভ কৰিছে —

(ক) সোণাৰী শালতে নিতৌ টিকেটিকায়
আইদেউৰ হাতলৈ খাৰু,
চিন্তা নকৰিবা আমাৰ আইদেউ
হ'বাগৈ আলাসৰ লাৰু। (গগৈ ৫০)

(খ) আঁৰি মাছৰ তেৰি মেৰি এ বিন্ধিবাকে ধৰে।
তেলৰ ভাৰত উঠি যাব সৰ্ব অলংকাৰে।। (শৰ্মা ৩১৩)

অসমীয়া অলংকাৰৰ ৰূপ বৈচিত্ৰ বিহুগীতৰ মাজতো সুন্দৰকৈ ফুটি উঠিছে। বিহুৱতীয়ে পৰিধান কৰা জাংফাই কেৰু, পনিয়লী বাখৰ, গামখাৰু, মুঠিখাৰু, দুগদুগী আদি অলংকাৰ বিহুগীতৰ মাজত স্থান পাইছে। লোক নৃত্যৰ নাচনীৰ মাজত পোৱালমণি, ৰঙামণি, লাটুমণি আদি আ-অলংকাৰৰ বিশেষ জনপ্ৰিয়তা আছে। এইবোৰে অসমীয়া অলংকাৰৰ স্বকীয় বৈশিষ্ট্যৰ উমান দিয়ে।

(ক) জাংফাই কেৰুযোৰ পনিয়লী বাখৰবোৰ
কাণত জিকেমিকে কৰে;
চেনাইটিৰ ফাললৈ চাবলৈ নোৱাৰি
হিয়াত খুন্দা মাৰি ধৰে। (শৰ্মা ২৫৫)

(খ) হাতৰে শুৱনি হাতৰ গামখাৰু
কঁকালৰ শুৱনি ৰিহা;
মূৰৰে শুৱনি মুৰৰে সেওতা
গলধনৰ শুৱনি খোপা। (শৰ্মা ২৫৫)

এই আ-অলংকাৰৰ লগত নানা লোকবিশ্বাসও জড়িত হৈছে। বিবাহিত তিৰোতাই উকা ডিঙি, হাতে থাকিব নাপায়, স্বামীৰ মৃত্যুত তিৰোতাৰ অলংকাৰ সোলোকাই দিয়া আদি বিশ্বাস অসমীয়া লোক সমাজত প্ৰচলিত বিশ্বাস। অসমীয়া লোকগীতত আ-অলংকাৰ শিল্পই এক বিশেষ স্থান অধিকাৰ কৰি আছে।

### ৪.০ লোকগীতত কাঠ, বাঁহ-বেতৰ শিল্প ঃ

অসমীয়া লোকজীৱনত বাঁহৰ বহুল প্ৰচলন দেখা যায়। জন্মৰ পৰা মৃত্যুলৈকে পালিত নানা আচাৰ-বিচাৰত বাঁহ-বেতৰ উল্লেখ আছে। মঙ্গোলীয় সংস্কৃতিৰে প্ৰভাৱপুষ্ট অসমীয়া লোক সংস্কৃতিত কাঠ, বাঁহ, বেতেৰে নিৰ্মাণ গঢ়া লোকশিল্প সমূহে গুৰুত্ব লাভ কৰিছে। অসমীয়া

গ্ৰাম্য কৃষিভিত্তিক সমাজত কাঠ, বাঁহ-বেতৰ নানা সা-সঁজুলি ব্যৱহৃত হয়। তাঁতশাল সামগ্ৰী সমূহো কাঠ বা বাঁহেৰে নিৰ্মিত। অসমীয়া পৰম্পৰাগত গৃহ নিৰ্মাণত বাঁহৰ সামগ্ৰী ব্যৱহৃত হয়।

দেহবিচাৰৰ গীতবোৰত জীৱনৰ ক্ষন্তেকীয়া অস্তিত্বৰ প্ৰসংগত বাঁহক লোক কবিয়ে এনেদৰে স্থান দিছে —

(ক) বাৰীৰে আতিয়াত এজুপি জাতিবাঁহ
সেয়েহে সোদৰৰ ভাই।
জীয়াই থাকোঁতে কৰোঁ ৰুৱা কামি
মৰিলে লগতে যায়। (শৰ্মা ১৪৮)

(খ) কাঠৰে টোকাৰী লয় হৰিনাম
মনিচে নেপালে তোক। (শৰ্মা ১১৮) (টোকাৰী গীত)

লোকসমাজত অধিক শস্য লাভ কৰাৰ নিমিত্তে লখিমী দেৱীক সন্তুষ্ট কৰিবলৈ লখিমী আদৰা নাম গোৱা হয়। এই লখিমী আদৰা নামত বাঁহেৰে নিৰ্মিত খৰাহী, চালনী, ডলা, ডুলি আদিৰ উল্লেখ পোৱা যায়। শস্য চপোৱাৰ পিছত শস্য থ'বলৈ বা জাৰিবলৈ এই সামগ্ৰীবোৰ ব্যৱহৃত হয়।

আখৈ এ খৰাহী ডাবহী ডুবহী
পিঠা যে খৰাহী সৰু এ।
লখিমী আই এ ভঁৰালটি ভৰাব
ভৰাব গোহালিৰ গৰু এ। (শৰ্মা ১০৫)

বিহুগীততো কাঠ বাঁহেৰে নিৰ্মিত নানা সঁজুলিৰ উল্লেখ পোৱা যায়। তাবে কিছুমান সঁজুলি মাছ-কাছ ধৰিবলৈ ব্যৱহৃত হয়। যেন - জাকৈ, খালৈ, ডিঙা ইত্যাদি। আকৌ, যঁতৰ, মাকো আদি তাঁতশালৰ বাবে প্ৰয়োজনীয় সামগ্ৰীয়েও বিহু গীতত স্থান লাভ কৰিছে। চালনী, ডলা, কুলা আদিৰ ব্যৱহাৰে অসমীয়া কৃষিভিত্তিক সমাজখনক প্ৰতিফলিত কৰে।

(ক) আয়ে চাউল চালে চালনী নুঘূৰে,
বোপাই তামোল কাটে সৰু।
মৰমৰ জীয়েকক দিলা ধৰমত বিয়া
উছৰ্গাত নিদিলা গৰু। (শৰ্মা ২৬০)

(খ) চাউল চালি দিমেলী; চাউল গ'ল পিচলি
ঐ ৰাম কুলাৰ চাউল বুটলি খায়হে। (সংগৃহীত, মনোমাই দাস)

নিত্য ব্যৱহাৰ্য এই সামগ্ৰীবোৰক অতি পৱিত্ৰ জ্ঞান কৰি সযতনে ঘৰত ৰখা হয়। কুলা, ডলা আদি সাধাৰণতে ভৰিৰে স্পৰ্শ নকৰে। লোক সমাজত এই সামগ্ৰীবোৰত লক্ষ্মী দেৱী থাকে বুলি বিশ্বাস কৰা হয়।

কাঠেৰে নিৰ্মিত শিল্পৰ ভিতৰত অন্যতম হ'ল নৌকা নিৰ্মাণ শিল্প। নদীৰে ভৰপূৰ অসমত যাতায়াতৰ অন্যতম আহিলা হ'ল নাও। গোৱালপৰীয়া লোকগীত 'বাইসাল' গীতত নাওৰ উল্লেখ পোৱা যায়-

বৈঠা মাৰো বৈঠা মাৰো ৰে
আৰে ও বাইসাল ভাইয়াৰে,
ওকি ছাড়িয়া বৈঠা মাৰিয়া যাইস্‌ৰে। (শৰ্মা ২৮১)

নাওখেলৰ গীততো নাওৰ নিৰ্মাণৰ উল্লেখ পোৱা যায় এনেদৰে —

ধাৰীৰ ভলুকা কাটি নাৰৰ দিলা চৈ
নালাগে সাউদ বণিজে খাব যাওক ছোটভাই। (সং ঃ কিৰণ দাস)

নাঙলৰ জুনাবোৰত নাঙল ডিলামাৰি, এচাৰি মৈ আদিয়ে শ্ৰেষ্ঠত্ব ঘোষণা কৰিবলৈ যুঁজ-বাগৰ লগা দেখা যায়। বতাম, দলিমাৰি, খৰাহি, মৰণা আদি শব্দবোৰে পুৰণি অসমীয়া কৃষি পদ্ধতিক সূচায়। কৃষিত ব্যৱহৃত সকলো সৰু-বৰ সঁজুলিৰে কামবোৰৰো বৰ্ণনা ইয়াত পোৱা যায়।

হাবিতে আছিলে আঁকোৰা কাঠ।
বাঢ়েয়ে পাই তাত লগালে চাট।। (গগৈ ১১৭)

বিয়াগীত, নাওখেল গীত, নিচুকণি গীত, বাইসাল গীত, বিহুগীত আদিৰ মাজত কাঠ আৰু বাঁহেৰে নিৰ্মিত অসংখ্য শিল্পৰ প্ৰসংগ ঠাঁহ খাই আছে।

## ৫.০ সামৰণি ঃ

অসমীয়া লোকগীতবোৰ লোকজীৱনৰ অভিন্ন অংগ। লোকগীতৰ মাজত লোকশিল্পই সুন্দৰভাৱে প্ৰকাশ লাভ কৰিছে। লোকগীতৰ মাজত স্থান পোৱা এনে লোকশিল্পবোৰ অসমীয়া লোক সংস্কৃতিৰ অমূল্য সম্পদৰূপে বিবেচিত। সময়ৰ সোঁতত বিশ্বায়ন আদিৰ প্ৰভাৱত লোকশিল্পবোৰৰ কেতবোৰ ব্যৱহাৰ নোহোৱা হ'লেও ইয়াৰ সামাজিক গুৰুত্ব লোকসাহিত্যৰ মাজত সংৰক্ষিত হৈ আছে। লোকগীতবোৰৰ মাজত সমৃদ্ধশালী অসমীয়া লোকশিল্পৰ প্ৰসংগই বিশেষ স্থান লাভ কৰিছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মনোমাই দাস, কিৰণ দাস আদি শিল্পীসকল।

## প্ৰসংগ পুথি ঃ

### অসমীয়া ঃ

গগৈ, লীলা। *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা*। গুৱাহাটী ঃ বনলতা, ২০০৭, মুদ্ৰিত।
চহৰীয়া, কনক চন্দ্ৰ। *অসমীয়া সংস্কৃতি অধ্যয়ন*। গুৱাহাটী ঃ অলিম্পিয়া প্ৰকাশন, ২০১৬, মুদ্ৰিত।
বৰদলৈ, নিৰ্মলপ্ৰভা। *অসমৰ লোক-সংস্কৃতি*। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী ২০০৮। মুদ্ৰিত।
ভট্টাচাৰ্য, বসন্ত কুমাৰ। *অসমীয়া লোকগীত সমীক্ষা*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০০৭। মুদ্ৰিত।
শৰ্মা, নবীন চন্দ্ৰ। *অসমৰ সাংস্কৃতিক ইতিহাস*। প্ৰথম খণ্ড। যোৰহাট ঃ অসম সাহিত্য সভা, ২০১৩। মুদ্ৰিত।
শৰ্মা, নবীন চন্দ্ৰ। *লোক-সংস্কৃতি*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৯। মুদ্ৰিত।
শৰ্মা, নবীন চন্দ্ৰ। *অসমৰ লোক-সংস্কৃতিৰ আভাস*। গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড,

২০১১। মুদ্রিত।
শৰ্মা, নবীন চন্দ্ৰ। *অসমৰ লোক-সাহিত্য*। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০১৪। মুদ্ৰিত।
শৰ্মা, নবীন চন্দ্ৰ। *ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি*। গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০১৬। মুদ্ৰিত।
শৰ্মা, হেমন্ত কুমাৰ। *অসমীয়া লোকগীত-সঞ্চয়ন*। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ২০০০। মুদ্ৰিত।
শৰ্মা, সত্যেন্দ্ৰ নাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ২০১১। মুদ্ৰিত।
শইকীয়া, নগেন। *অসমীয়া মানুহৰ ইতিহাস*। গুৱাহাটী ঃ কথা পাব্লিকেচন, ২০১৩। মুদ্ৰিত।

বাংলা ঃ

চৌধুরী, দুলাল, সেনগুপ্ত, পল্লব। *লোক সংস্কৃতিৰ বিশ্বকোষ*। কলকাতা ঃ পুস্তক বিপনি, ২০১৩। মুদ্ৰিত।

ইন্টাৰনেট উৎস ঃ

www.pdfdrive.com

ISSN : 2348-6430
Volume : IX
Issue : IX, December, 2022

# AITHUN

(A Multilingual, Multidisciplinary Peer-reviewed National Annual Journal)



Janata College, Serfanguri
Kokrajhar, BTR
Assam, India

■ মনালিছা শইকীয়াৰ গল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
✍ অৰূপ দাস 161
■ বৰপেটা সত্ৰৰ লোকশিল্প ঃ শৈল্পিক সৌন্দৰ্য আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত ইয়াৰ ভূমিকা
✍ উপাসনা চৌধুৰী 168
■ শীলভদ্ৰৰ 'আহঁতগুৰি' উপন্যাসত গৌৰীপুৰ কেন্দ্ৰিক লোকভাষাৰ প্ৰয়োগ ঃ এটি আলোচনা
✍ ড° উমাকান্ত ৰায় 178
■ ধৰণীধৰ ঔৱাৰীৰ বড়ো উপন্যাস 'মৈহুৰ'ৰ অসমীয়া অনুবাদ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
✍ কৃষ্ণা দাস 187
■ বিপুল খাটনিয়াৰৰ গল্প 'ঘঁৰিয়ালডাঙাৰ কথা' ঃ এটি পৰ্য্যালোচনা
✍ কৌশিক ঠাকুৰীয়া 191
■ 'মাটিৰ মানুহ' উপন্যাসত প্ৰতিফলিত গ্ৰাম্য জীৱন
✍ গীতাশ্ৰী কলিতা 197
■ বিষ্ণুপ্ৰসাদ ৰাভাৰ 'সপোন কুঁৱলী' নাটত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চিত্ৰ
✍ ড° গোবিন্দ বৈশ্য 207
■ জনজাতীয় সাধুকথাত টোটেমবাদ আৰু পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গ
✍ চক্ৰধৰ ৰায় 210
■ স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা
✍ ড° চাণক্য বৈশ্য 217
■ সঙ্গীত-নাটক অকাডেমি বঁটাপ্ৰাপক, বিশিষ্ট মুখা-শিল্পী হেমচন্দ্ৰ গোস্বামীদেৱৰ লগত বিশেষ সাক্ষাৎকাৰ
✍ সাক্ষাৎ গ্ৰহণ ঃ জয়ন্ত হাজৰিকা 225
■ কথা সাহিত্যিক হিতেশ ডেকাৰ সাহিত্যত পুৰাণ অনুষংগ
✍ ড° ডিম্বেশ্বৰ দাস 232
■ সাদানি ভাষাৰ শব্দ ভাণ্ডাৰ ঃ এটি অধ্যয়ন
✍ দিপাঞ্জলী মেধি দাস
✍ ড° প্ৰণীতা দেৱী 239
■ কৰবী ডেকা হাজৰিকাৰ 'অনুপমা অৰুণা কুসুম ইত্যাদি' উপন্যাসত লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন
✍ দীপক কুমাৰ ৰয় 244

**AITHUN**
Volume : IX
Issue : IX, December, 2022
*An Annual Peer-Reviewed Journal*
ISSN-2348-6430

# বৰপেটা সত্ৰৰ লোকশিল্প ঃ শৈল্পিক সৌন্দৰ্য আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত ইয়াৰ ভূমিকা

**উপাসনা চৌধুৰী**

**সাৰাংশ ঃ** *নামনি অসমৰ শিক্ষা, সংস্কৃতি, ভাষা, সাহিত্যৰ অন্যতম কেন্দ্ৰস্থল হ'ল বৰপেটা জিলা। দুজনা গুৰুৰ পদৰেণুৰে ৰঞ্জিত বৰপেটা সত্ৰনগৰী হিচাপে জগত বন্দিত। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱ, তেওঁৰ প্ৰিয়শিষ্য মাধৱদেৱ, গদ্য সাহিত্যৰ জনক ভট্টদেৱ, মথুৰাদাস বুঢ়া আতা আদি নৱবৈষ্ণৱ ধৰ্মৰ সন্ত-মহন্তসকলে জীৱনৰ বেছিভাগ সময় এই ঠাইতে ধৰ্ম, সংস্কৃতি, শিল্প, সাহিত্যৰ সৃষ্টিত অতিবাহিত কৰিছিল। অতীজৰে পৰা ঠাইখন নৱবৈষ্ণৱ ধৰ্ম, সত্ৰীয়া সংস্কৃতিৰ অন্যতম কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈ আহিছে। জিলাখনৰ বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী সত্ৰ প্ৰমুখ্যে সত্ৰসমূহ ধৰ্মীয় পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু ৰূপে বিবেচিত হৈছে। বিশেষকৈ সত্ৰসমূহত চৰ্চা হোৱা লোকশিল্পৰ ক্ষেত্ৰখনেও পৰ্যটকক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে।*

*জিলাখনৰ অন্যতম সত্ৰ বৰপেটা সত্ৰৰ ৪৩৬ বছৰীয়া পৰম্পৰাত নানা লোকশিল্পৰ চৰ্চা আৰু প্ৰচাৰ-প্ৰসাৰ হৈ আছে। সত্ৰীয়া ভাস্কৰ্য, গুৰু আসন শিল্প, সত্ৰীয়া বাদ্য, মৃৎশিল্প, আতচবাজী শিল্প আদি লোকশিল্পসমূহে বিশেষভাৱে সত্ৰৰ পৃষ্ঠপোষকতা লাভ কৰিছে। প্ৰতি বছৰে সত্ৰখনলৈ দেশী-বিদেশী নানান পৰ্যটকৰ আগমণ হয়। সত্ৰৰ পৃষ্ঠপোষকতাত গঢ় লোৱা লোকশিল্পৰ লগতে সত্ৰৰ চৌহদৰ ভিতৰত থকা লোকশিল্পৰ চানেকিয়ে বিশেষভাৱে পৰ্যটকক আকৰ্ষণ কৰি আহিছে। সত্ৰৰ পৃষ্ঠপোষকতাত গঢ় লোৱা এই লোকশিল্পৰ চৰ্চাই সমাজৰ ধৰ্মীয় তথা আৰ্থ-সামাজিক দিশকো প্ৰভাৱিত কৰিছে। আমাৰ এই অধ্যয়নত বৰপেটা সত্ৰৰ ভিতৰত চৰ্চা হোৱা লোকশিল্পসমূহৰ ভিতৰত বিশেষভাৱে গুৰু আসন শিল্প আৰু সত্ৰীয়া ভাস্কৰ্য শিল্প তথা আৰ্থ-সামাজিক ক্ষেত্ৰত ইয়াৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰা হৈছে। ইয়াৰ জৰিয়তে লোকশিল্পৰ ক্ষেত্ৰখনত ধৰ্মীয় পৰ্যটনৰ গুৰুত্ব সম্পৰ্কেও উপলব্ধি কৰিব পৰা যাব।*

**বীজ শব্দ ঃ** পৰ্যটন, সত্ৰ, লোকশিল্প, সত্ৰীয়া ভাস্কৰ্য, গুৰু আসন শিল্প, সত্ৰীয়া সংস্কৃতি।

**অৱতৰণিকা**

**বিষয়ৰ পৰিচয়**

লোকশিল্প সমাজৰ দৈনন্দিন জীৱন-প্ৰক্ৰিয়াৰ এক উল্লেখযোগ্য উপাদান। পৰম্পৰাগত এই শিল্পকৰ্মৰ মাজত সৌন্দৰ্য, নান্দনিকতা, মসৃণতা আদি প্ৰকাশিত হোৱাৰ লগতে সামাজিক-সাংস্কৃতিক গুৰুত্ব আৰু প্ৰয়োজনীয়তা নিহিত হৈ আছে। খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষৰফালে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত হোৱা বৈষ্ণৱ আন্দোলন তথা ইয়াৰ ধৰ্মীয় দৰ্শনে সমগ্ৰ অসমৰে ভাষা-সাহিত্য-সংস্কৃতিক আলোড়িত কৰি তুলিছিল। ইয়াৰে পৰিপ্ৰেক্ষিতত অসমৰ চুকে-কোণে গঢ় লৈ উঠা সত্ৰ, নামঘৰ, থান আদিসমূহ বৈষ্ণৱ দৰ্শনৰ উপাসনাস্থলী বা বৈষ্ণৱ কলা-সংস্কৃতিৰ চৰ্চাৰ প্ৰাণকেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিও তেৰাৰ অনুগামী শিষ্য শ্ৰীমন্ত মাধৱদেৱ, শ্ৰীশ্ৰী দামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ তথা অন্যান্য আতাপুৰুষসকলে পৰৱৰ্তী সময়ত বহু সত্ৰ প্ৰতিষ্ঠাৰে গুৰুজনাৰ ধৰ্মীয় আদৰ্শ, দৰ্শন তথা ইয়াৰ লগত জড়িত হৈ থকা কলা-সংস্কৃতিৰ উত্থান আৰু বিকাশত আগভাগ লৈছিল। সত্ৰানুষ্ঠানসমূহৰ প্ৰেক্ষাপটত সৃষ্ট তথা বিকশিত আৰু নৱবৈষ্ণৱ ধৰ্মৰ সৈতে জড়িত সেই সংস্কৃতিকে সত্ৰীয়া তথা শঙ্কৰী সংস্কৃতি বুলি অভিহিত কৰিব পাৰি। সামাজিক তথা সাংস্কৃতিক সংস্কাৰ সাধনৰ লক্ষ্যৰে পৰিপুষ্ট এই সত্ৰীয়া সংস্কৃতি মূলতঃ ভক্তিকেন্দ্ৰিক সংস্কৃতি। সত্ৰীয়া সংগীত, নৃত্য, বাদ্য, অংকীয়া নাট-ভাওনা, শিল্পকলা আদি সত্ৰীয়া সংস্কৃতিৰ অংগ।

নামনি অসম তথা সমগ্ৰ অসমৰে কলা-সংস্কৃতিৰ ইতিহাসত বৰপেটা জিলাৰ স্বকীয় ঐতিহ্য আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকে প্ৰমুখ্য কৰি শ্ৰীমন্ত মাধৱদেৱ, কথা-সাহিত্যৰ জনক ভট্টদেৱ, মথুৰাদাস বুঢ়া আতা আদি নৱবৈষ্ণৱ ধৰ্মৰ পুৰোধাসকলে জীৱনৰ অধিকাংশ সময় বৰপেটাতে থাকি ধৰ্ম, সাহিত্য-শিল্প-সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰ কৰিছিল। ফলশ্ৰুতিত নৱবৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া সংস্কৃতিৰ প্ৰধান কেন্দ্ৰস্থল হিচাপে বৰপেটা ঠাইখনে সেই সময়ৰপৰা আজি পৰ্যন্ত বিশেষ ঐতিহ্য আৰু গুৰুত্ব বহন কৰি আহিছে। বৰপেটা জিলাৰ প্ৰধান সত্ৰানুষ্ঠানসমূহৰ ভিতৰত বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী সত্ৰ, গণককুছি সত্ৰ আদিত লোকশিল্পৰ চৰ্চাই বিশেষ স্বকীয়তা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত বৰপেটা জিলাৰ সদৰতে অৱস্থিত বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ সমলসমূহেও অতীজৰেপৰা বিশেষ প্ৰসিদ্ধি লাভ কৰি আহিছে। সত্ৰখনৰ পৃষ্ঠপোষকতাত সত্ৰীয়া ভাস্কৰ্য আৰু বাদ্য, গুৰু আসন শিল্প, মৃৎশিল্প, আতচবাজী শিল্প আদি লোকশিল্পসমূহৰ চৰ্চা আৰু নিৰ্মাণ বিশেষ মৰ্যাদাৰে চলি আছে। উল্লেখযোগ্য যে বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ এই যুগতো এই লোকশিল্পবোৰৰ চাহিদা আৰু জনপ্ৰিয়তা লক্ষ্যণীয়। আনহাতে ধৰ্মীয় পৰ্যটন-উদ্যোগৰ প্ৰসাৰ আৰু বিকাশতো এই শিল্পসমূহৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। বৰপেটা সত্ৰৰ লগত জড়িত বিবিধ লোকশিল্পৰ সমলসমূহ তথা ইয়াৰ শৈল্পিক সৌন্দৰ্য, এইবোৰৰ নিৰ্মাণ শৈলী তথা এইবোৰে আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকা সম্পৰ্কীয় দিশসমূহ সামাজিক-সাংস্কৃতিক দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ বিশেষ প্ৰাসংগিকতা নিহিত আছে। লগতে অদূৰ ভৱিষ্যতৰ বাবে এই সমলবোৰ অক্ষতভাৱে উত্তৰ পুৰুষৰ বাবে জীয়াই ৰখাৰ ক্ষেত্ৰতো এনে অধ্যয়নে সহায় কৰিব পাৰে। অধ্যয়নৰ এনে গুৰুত্বলৈ লক্ষ্য কৰি এই অধ্যয়নত সেয়ে বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পসমূহৰ পৰিচয়েৰে এইবোৰৰ শিল্পগত সৌন্দৰ্য, লোকশিল্পবোৰৰ নিৰ্মাণ শৈলী, নিৰ্মাণৰ লগত জড়িত লোকশিল্পীসকলৰ পৰিচয় আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত ইয়াৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা হৈছে। তদুপৰি পৰ্যটন তথা সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত এই লোকশিল্পবোৰৰ গুৰুত্ব সম্পৰ্কেও এই অধ্যয়নত বিশ্লেষণ আগবঢ়োৱা হৈছে।

**অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য**

- বৰপেটা সত্ৰৰ পৃষ্ঠপোষকতাত বৰ্দ্ধিত তথা চৰ্চিত লোকশিল্পৰ সমলসমূহৰ পৰিচয়েৰে ইবোৰৰ শৈল্পিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰা।
- অধ্যয়নাৰ্থ বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পবোৰৰ নিৰ্মাণ-শৈলী তথা শিল্পবোৰৰ সামগ্ৰিক পৰিচয় জ্ঞাপন কৰা।
- বৰপেটা সত্ৰৰ লোকশিল্পবোৰৰ নিৰ্মাণৰ ক্ষেত্ৰত জড়িত হৈ থকা লোকশিল্পীসকলৰ পৰিচয় প্ৰদান কৰা।
- আৰ্থ-সামাজিক উন্নয়ন তথা পৰ্যটন ক্ষেত্ৰৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এই লোকশিল্পসমূহৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰা।

**অধ্যয়নৰ পৰিসৰ**

বৰপেটা জিলা সত্ৰনগৰী হিচাপে প্ৰখ্যাত। দুজনা গুৰু আৰু তেখেতসকলৰ শিষ্য-প্ৰশিষ্যসকলৰ দ্বাৰা প্ৰতিষ্ঠিত ইয়াত সৰু-বৰ বহু সত্ৰ আছে। সকলো সত্ৰতে লোকশিল্পৰ ব্যাপক চৰ্চা আৰু নিৰ্মাণ পৰিলক্ষিত নহয় যদিও বৰপেটা জিলাৰ সদৰৰ মাজমজিয়াত অৱস্থিত বৰপেটা সত্ৰৰ লগতে সুন্দৰীদিয়া, পাটবাউসী, গণককুছি, বাৰাদি আদি সত্ৰসমূহত লোকশিল্পৰ চৰ্চা দেখিবলৈ পোৱা যায়। এইপ্ৰসংগত লোকশিল্পৰ ক্ষেত্ৰখনলৈ বৰপেটা সত্ৰৰ ভূমিকা তথা অৰিহণাই সৰ্বাধিক আৰু বিশেষ তাৎপৰ্যপূৰ্ণ। বৰপেটা সত্ৰৰ পৃষ্ঠপোষকতাত সত্ৰীয়া ভাস্কৰ্য, গুৰু আসন শিল্প, সত্ৰীয়া বাদ্য, মৃৎশিল্প, আতচবাজী শিল্প আদি বিবিধ লোকশিল্পৰ চৰ্চা তথা প্ৰচলন আছে। অধ্যয়ন-পৰিসৰৰ এনে বিশালতালৈ লক্ষ্য কৰি এই অধ্যয়নত সেয়ে বৰপেটা সত্ৰৰ কেৱল গুৰু আসন শিল্প আৰু কাঠেৰে নিৰ্মিত ভাস্কৰ্যশিল্পসমূহৰ বিষয়েহে আলোচনা আগবঢ়োৱা হৈছে।

**অধ্যয়নৰ গুৰুত্ব**

লোকশিল্পই এটা জাতিৰ বস্তুগত শৈল্পিক ৰুচিবোধক উপস্থাপন কৰে। সেইদৰে ধৰ্মীয় অনুষ্ঠানৰ লগত সম্পৰ্কজড়িতভাৱে প্ৰচলিত তথা ব্যৱহৃত লোকশিল্পসমূহেও সংশ্লিষ্ট সমাজৰ আধ্যাত্মিক ঐতিহ্য আৰু ধৰ্মীয় দাৰ্শনিক দিশসমূহৰ চাক্ষুস প্ৰকাশ ঘটায়। বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পসমূহে অসমৰ নৱবৈষ্ণৱ ধৰ্মীয় ঐতিহ্য আৰু পৰম্পৰাক সহজ-সৰল ৰূপত ভক্তিপ্ৰাণ জনগণৰ সন্মুখত অৰ্থবহ কৰি তুলিছিল। ধৰ্মীয় আৰু সামাজিক-সাংস্কৃতিক চাহিদা পূৰণ কৰি অহা এই সত্ৰীয়া লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ তথা এইসমূহৰ সাম্প্ৰতিক স্থিতি সম্পৰ্কীয় আলোচনা সত্ৰীয়া সংস্কৃতিৰ ৰক্ষণাবেক্ষণ, প্ৰচাৰ-প্ৰসাৰ তথা পোষণৰ প্ৰসংগত অতি গুৰুত্বপূৰ্ণ অধ্যয়নৰ বিষয়। তদুপৰি বৰপেটাৰ আৰ্থ-সামাজিক উন্নয়নৰ প্ৰসংগতো এই অধ্যয়নৰ প্ৰাসংগিকতা আছে।

**অধ্যয়নৰ পদ্ধতি**

**১.৫.১ অধ্যয়নৰ ক্ষেত্ৰ**

'বৰপেটা সত্ৰৰ লোকশিল্প ঃ শৈল্পিক সৌন্দৰ্য আৰু আৰ্থ-সামাজিক উন্নয়নত ইয়াৰ ভূমিকা' শীৰ্ষক অধ্যয়নৰ মুল ক্ষেত্ৰ বৰপেটা জিলাৰ সদৰৰ মাজ-মজিয়াত অৱস্থিত বৰপেটা সত্ৰ। এই সত্ৰৰ অন্তৰ্গত আৰু

বিষয়-অধ্যয়নৰ পৰিসৰভুক্ত সমলসমূহেই এই অধ্যয়নৰ প্ৰধান ক্ষেত্ৰ।

**তথ্য-আহৰণ আৰু তথ্য-বিশ্লেষণ পদ্ধতি**

বিষয় সম্পৰ্কীয় তথ্যসমূহ দুটা উৎসৰ পৰা সংগ্ৰহ কৰা হৈছে — মুখ্য উৎস আৰু গৌণ উৎস। মুখ্য উৎসৰ পৰা তথ্য আহৰণৰ ক্ষেত্ৰত প্ৰধানকৈ ক্ষেত্ৰ-অধ্যয়ন পদ্ধতিৰ সহায় লোৱা হৈছে। এই পদ্ধতিৰ সহায়ত নিৰ্দিষ্ট ক্ষেত্ৰলৈ গৈ বিশেষ সূচকৰপৰা তথ্যসমূহ আহৰণৰ ক্ষেত্ৰত সাক্ষাৎগ্ৰহণ পদ্ধতি অবলম্বন কৰা হৈছে। এই ক্ষেত্ৰত অসংৰচিত ৰূপত প্ৰশ্নসমূহ অৱতাৰণাৰ জৰিয়তে প্ৰাসংগিক তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। তদুপৰি পৰ্যবেক্ষণ পদ্ধতিৰ জৰিয়তেও বিষয় সম্পৰ্কীয় যাৱতীয় তথ্যসমূহ আহৰণ কৰা হৈছে। আনহাতে বিষয় সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ, আলোচনী আদিৰ পৰাও প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবোৰকে তথ্য আহৰণৰ গৌণ উৎস হিচাপে ধৰা হৈছে।

বিষয়-বিশ্লেষণৰ ক্ষেত্ৰত একাধিক পদ্ধতি অৱলম্বন কৰা হৈছে। এই ক্ষেত্ৰত প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত অধ্যয়নৰ তত্ত্ব আৰু দৃষ্টিভংগী অনুসৰি লোকশিল্পসমূহৰ শিল্পগত সৌন্দৰ্য, নিৰ্মাণ-শৈলী, আৰ্থ-সামাজিক ক্ষেত্ৰত এই শিল্পবোৰে গ্ৰহণ কৰা ভূমিকা আদি বিচাৰ কৰা হৈছে। আনহাতে লোকশিল্পবোৰৰ সামগ্ৰিক পৰিচয় প্ৰদানৰ প্ৰসংগত বৰ্ণনাত্মক পদ্ধতিৰো সহায় গ্ৰহণ কৰা হৈছে।

**বৰপেটা সত্ৰৰ চমু পৰিচয়**

মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱে ১৫৮৩ চনত বৰপেটা সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰখনৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাই অনুষ্ঠানখনিক নতুন ৰূপেৰে সজাই তোলে। সত্ৰখনৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰাৰ ক্ষেত্ৰত এইজনা আতাৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। তেখেতে হাটী প্ৰথা সূচনা কৰাৰ লগতে বিভিন্ন বৃত্তিয়াল লোকক সংস্থাপিত কৰি সত্ৰৰ কৰ্মসমূহ নিয়াৰিকৈ সম্পাদিত কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছিল। এই সত্ৰত মাধৱদেৱে স্থাপন কৰা এটা ৰঙিয়াল গৃহ আছে। সত্ৰখনি নিকা সংহতিৰ অন্তৰ্গত। ইয়াত প্ৰতি বছৰে দৌলোৎসৱ উলহ-মালহেৰে পালন কৰা হয়। তদুপৰি গুৰু দুজনাৰ আৱিৰ্ভাৱ তথা তিৰোভাৱ তিথি তথা অন্যান্য সত্ৰীয়া আচাৰ-ৰীতিসমূহো সত্ৰখনে অতি নিয়াৰিকৈ পালন কৰি আহিছে। এই ক্ষেত্ৰত সত্ৰখনৰ পৃষ্ঠপোষকতাত নিৰ্মিত তথা সৃষ্ট লোকশিল্পবোৰৰ বিশেষ মৰ্যাদা আৰু গুৰুত্ব আছে। এই অঞ্চলতে গুৰু দুজনাই সৰহ সংখ্যক সৃষ্টি কৰি থৈ গৈছিল। শংকৰদেৱ, মাধৱদেৱ প্ৰমুখ্যে আতাপুৰুষসকলৰ মিলন ক্ষেত্ৰ বৰপেটাৰ সত্ৰীয়া পৰম্পৰাক কেন্দ্ৰ কৰি এই স্থানতে বিভিন্ন শিল্পকৰ্মৰ সৃষ্টি হৈছিল। শ্ৰীমন্ত শংকৰদেৱে বৰপেটাৰ পাটবাউসীৰ সত্ৰ স্থাপন কৰি সপ্ত বৈকুণ্ঠৰ পট থকা 'বৃন্দাবনী বস্ত্ৰ' কোঁচবিহাৰৰ ৰজা নৰনাৰায়ণক আগবঢ়াইছিল। সেই সময়ৰ পৰাই সত্ৰ-সংস্কৃতিৰে পৰিপূৰ্ণ বৰপেটাৰ সত্ৰ, নামঘৰ, থান আদি অনুষ্ঠানক কেন্দ্ৰ কৰি নানা লোক শিল্পও গঢ় লৈ উঠিছিল।

**লোকশিল্পৰ ধাৰণা**

লোকশিল্প লোকজীৱনৰ সৃষ্টি। গ্ৰাম্য জীৱন তথা গ্ৰাম্য সমাজৰ ভিত্তিত সৃষ্ট শিল্পকলাকেই লোকশিল্প বোলা হয়। লোকশিল্পৰ বিষয়ে বিভিন্নজনে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। তুষাৰ চট্টোপাধ্যায়ৰ মতে, "অনভিজাত

লোক সমাজৰ শাস্ত্ৰানুযায়ী শিক্ষা নিৰপেক্ষ আৰু মূলতঃ ঐতিহ্যানুসৰি সমষ্টিগত চেতনাৰ প্ৰথাগত শৈল্পিক অভিব্যক্তিয়েই লোকশিল্প। (চট্টোপাধ্যায়, ১৯৮৫) নবীনচন্দ্ৰ শৰ্মাৰ মতে, "অনাখৰী বা চহা লোকৰ হাতৰ পৰশত সৃষ্টি হোৱা কাৰুকৰ্মই হ'ল লোকশিল্প। (শৰ্মা, ২০০৯) উল্লিখিত সংজ্ঞাসমূহৰ ভিত্তিত ধাৰণা কৰিব পাৰি যে লোকশিল্পজাত প্ৰতিটো উপকৰণ গ্ৰাম্য অনাখৰী বা অল্পশিক্ষিত লোকৰ জীৱন, কৰ্ম, ধৰ্ম, পূজা-পাতল, বিশ্বাস আদিৰ আধাৰত সম্পূৰ্ণ ভৌগোলিক-প্ৰাকৃতিক পৰিৱেশত সৃষ্টি হয়।

**গুৰু আসন শিল্পৰ পৰিচয় আৰু বৰপেটা সত্ৰৰ এই শিল্পবিধৰ শিল্প-সৌন্দৰ্য**

গুৰু আসন সত্ৰ সংস্কৃতিৰ এক অভিন্ন অংগ। এই শিল্পবিধ সত্ৰ, নামঘৰ, থান আদি ধৰ্মীয় অনুষ্ঠানত প্ৰতিষ্ঠা কৰা শ্ৰদ্ধাযুক্ত সেৱাৰ বস্তু। ইয়াত নৱ-বৈষ্ণৱ ধৰ্মৰ পৱিত্ৰ গ্ৰন্থক পৰম পুৰুষৰ ৰূপত উপস্থাপন কৰা হয়। নিৰাকাৰ পৰম ব্ৰহ্মাৰ ৰূপ হিচাপে কীৰ্তন, গুণমালা, নামঘোষাক গুৰু আসনত স্থাপন কৰা হয়। ইয়াক সিংহাসন, গুৰু আসন, ময়ূৰাসন আৰু গৰুড়াসন আদি নামেৰেও জনা যায়। অৱশ্যে সিংহাসন বুলি ক'লে সকলো আসনকে বুজা যায়। এই শিল্পবিধক 'শাস্ত্ৰীয় হিচাপে সিংহাসন আৰু সত্ৰীয়া মৌখিক হিচাপে গুৰু আসন' বুলি কোৱা হয়। (গোস্বামী, ২০০৩)

নৱ-বৈষ্ণৱ ধৰ্মৰ শাস্ত্ৰবোৰ ৰাখিবৰ বাবে গুৰু আসনৰ ব্যৱহাৰৰ কথা চৰিত পুথিত পোৱা নাযায়। বৰপেটা সত্ৰত 'বাহাৰ চৰিত' বুলি কেৱলীয়া ভকত-বৈষ্ণৱৰ মাজত প্ৰচলিত চৰিত পুথিত গুৰু আসনৰ পূৰ্ব ৰূপ সম্পৰ্কে এনেদৰে উল্লেখ আছে — "জগতগুৰু শংকৰদেৱে বৰদোৱাত 'গোপী-উদ্ধৱ সংবাদ' ৰচি শৰণ লগোৱাৰ পৰাই 'থাপনা'ৰ প্ৰাদুৰ্ভাৱ হ'ল। সেই সময়ত শৰাই, বটা, কৰণি, বাঁহ বা কাঠৰ চাং অথবা নতুনকৈ সজা কাঠৰ পীৰা আদি থাপনা ৰূপে ব্যৱহৃত হৈছিল। থাপনাত 'শাস্ত্ৰ থোৱা কাৰণে ইয়াক আসন বোলা হৈছিল। পৰৱৰ্তী সময়ত শৰাই, বটা, পীৰা আদিৰ গাত সৌন্দৰ্যপ্ৰিয় কলা-কুশলীয়ে ৰুচি অনুসৰি বিভিন্ন বিচিত্ৰ লতা-পাত কাটি হেঙুল-হাইতালৰ ৰঙেৰে বোলাই বিতোপন কৰি তুলিলে, এয়ে হৈছে আসনৰ আদি ৰূপ।" (ৰায়চৌধুৰী, ২০১১) এই গুৰু আসনৰ শিল্প-সৌন্দৰ্যৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে ইয়াৰ অংশসমূহৰ লগত পৰিচিত হৈ লোৱাতো সমীচীন হ'ব। তলত এই সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ল —

**গুৰু আসনৰ অংশসমূহৰ পৰিচয়**

স্থান অনুসৰি লোকশিল্পৰ নিৰ্মাণৰ ক্ষেত্ৰত ভিন্নতা পৰিলক্ষিত হয়। উজনি অসমত পদুমফুল খোদিত কৰি পদ্মাসন, ম'ৰা চৰাই দি ময়ূৰাসন নিৰ্মাণ কৰা দেখা যায় যদিও বৰপেটাত কেৱল সিংহ আৰু হাতীযুক্ত গুৰু আসনহে নিৰ্মাণ কৰা হয়। সেই অনুসৰি গুৰু আসনৰ প্ৰতীক ভেদে সাধাৰণতে তিনিটা প্ৰকাৰ দেখা যায়। সিংহ খোদিত কৰি সিংহাসন, গৰুড়পক্ষী খোদিত কৰি গৰুড়াসন আৰু ময়ূৰ পক্ষী খোদিত কৰি ময়ূৰাসন। অৱশ্যে সিংহাসন বুলিলে তিনিওখন আসনকে বুজা যায়। গুৰু আসনৰ প্ৰধান অংশ চাৰিটা হ'ল —

(ক) **কলচী ঃ** গুৰু আসনৰ একেবাৰে ওপৰৰ অংশত কলচী থাকে। সাধাৰণতে কাঠৰ গোটা টুকুৰাৰ পৰা এই কলচী প্ৰস্তুত কৰা হয়।

(খ) **আমহী ঘৰ ঃ** গুৰু আসনৰ মূল ভাগটোৱে হ'ল আমহী ঘৰ। ইয়াত গুণমালা, ভাগৱত শাস্ত্ৰ স্থাপন কৰা হয়। আমহী ঘৰৰ আকৃতি চাৰিচুকীয়া। ইয়াৰ চালখনৰ ওপৰত চাৰিটা কোণত এটাকৈ সৰু কলচী দিয়া

হয়। আমহী ঘৰৰ তিনিফালে কাঠৰ কাৰুকাৰ্য খচিত বেৰ থাকে আৰু পশ্চিম দিশটো মুক্ত থাকে। আমহী ঘৰ বিষ্ণুৰ আবাস গৃহৰ প্ৰতীক। আমহী ঘৰৰ দুৱাৰমুখত জয়-বিজয়ৰ মূৰ্তি কটা দেখা যায়।

(গ) **খলপ ঃ** আমহী ঘৰৰ সৰুৰ পৰা ডাঙৰলৈ ক্ৰমে খলপবোৰ সজা হয়। গুৰু আসন সাধাৰণতে তিনি, পাঁচ আৰু সাত খলপযুক্ত। খলপবোৰত শিল্পীয়ে পৰম্পৰাগত নক্সাৰ লতা আৰু ফুল খোদিত কৰে। খলপবোৰ চাৰিচুকীয়া। কাঠেৰে নিৰ্মিত খলপবোৰত ধৰ্মীয় প্ৰতীক চিত্ৰ খোদিত কৰা হয়। প্ৰতিটো খলপত লেখনিপাট থাকে। লেখনিপাটত ধৰ্মীয় অৱতাৰী চিত্ৰ, লতা আদি খোদিত কৰা হয়।

(ঘ) **প্ৰতীক ঃ** গুৰু আসনত কাছ, হাতী আৰু সিংহ প্ৰতীক ৰূপে থাকে। একেবাৰে তলৰ খলপত চাৰিকোণত চাৰিটা কাছ থাকে। কাছৰ পিঠিৰ ওপৰত এটাকৈ হাতী আৰু হাতীৰ পিঠিৰ ওপৰত এটাকৈ সিংহ বহি থাকে। তাৰ ওপৰৰ প্ৰতিটো খলপৰ চাৰিওটা কোণত সিংহৰ ভাস্কৰ্য থাকে। ইয়াত ব্যৱহৃত সিংহ কেশৰযুক্ত সিংহ নহয় পাখি যুক্ত 'নাম সিংহ'। ই 'নাম'ৰ প্ৰতীক ৰূপে ব্যৱহৃত ড্ৰেগনৰ মুখ-আকৃতিৰ সিংহ। সিংহটোৱে জিভা উলিয়াই মুখ মেলি থাকে।

উল্লিখিত অংশসমূহৰ উপৰিও গুৰু আসনৰ লগত গোসাঁই বস্ত্ৰ, গজাসন, দণ্ড ধৰা আৰু চন্দ্ৰতাপ — এই কেইবিধ উপকৰণো জড়িত হৈ থাকে।

**বৰপেটা সত্ৰৰ গুৰু আসনৰ শিল্প-সৌন্দৰ্য**

সত্ৰকেন্দ্ৰিক লোকশিল্পৰ প্ৰধান শৈল্পিক উপাদানটোৱেই হৈছে গুৰু আসন শিল্প। লোকশিল্পীৰ শিল্পসত্তাৰ নৈপুণ্য আৰু ভক্তিৰ সংমিশ্ৰণ এই শিল্পবিধত প্ৰতিফলিত হয়। বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰত তিনিখন গুৰু আসন আছে। গুৰু আসন কেইখনৰ উত্তৰ ফালৰখন পাঁচ থাকৰ, মাজৰখন সাত থাকৰ আৰু দক্ষিণৰখন তিনি থাকৰ। উল্লেখযোগ্য যে গুৰু আসন কেইখনৰ কিছু অংশহে কাঠৰ, বেছিভাগ ৰূপেৰে তৈয়াৰী। এই গুৰু আসন কেইখন বৰপেটাৰ ৰঙিয়াল গৃহ নিৰ্মাণ কৰিবলৈ অহা কৃষ্ণাই আতৈক মাধৱদেৱে নিৰ্মাণ কৰিবলৈ দিছিল বুলি ভক্ত সমাজত কথিত আছে।

বৰপেটা সত্ৰৰ গুৰু আসন তিনিখনৰ আমহী ঘৰ আৰু খলপবোৰ ৰূপেৰে তৈয়াৰী। আনকি মূল প্ৰৱেশ দ্বাৰৰ দক্ষিণৰ গুৰু আসনখন সিংহ, হাতী আদি প্ৰতীকবোৰো ৰূপেৰে তৈয়াৰী। ৰূপেৰে অতি সুন্দৰকৈ লতা আৰু ফুল কটা হৈছে। আমহী ঘৰটোত চালে চকু ৰোৱাকৈ জালিকটা ৰূপৰ ফুলযুক্ত বেৰ আছে। তাৰ শিল্প নৈপুণ্য অপূৰ্ব। মাজৰ আসনখন আৰু উত্তৰ ফালৰ গুৰু আসনৰ প্ৰতীকবোৰ কাঠেৰে নিৰ্মিত। গুৰু আসনখন গজাসনৰ ওপৰত উপবিষ্ট হৈ আছে। গুৰু আসনৰ সন্মুখ ভাগত এখন আয়ত আকৃতিৰ চালপীৰা সদৃশ ছয় খুৰা থকা ৰূপেৰে নিৰ্মিত আসন পতা আছে। গজাসনৰ প্ৰতিটো খুটাত কাছ, তাৰ ওপৰত হাতী, হাতীটোৰ ওপৰত মুখত এটা সৰু সিংহ লৈ ডাঙৰ আকৃতিৰ গৰুড় পক্ষী আছে। মথুৰাদাস বুঢ়া আতা আৰু বদলা আতাৰ ভিঠিতো গুৰু আসন স্থাপন কৰা আছে। কাঠেৰে নিৰ্মিত গুৰু আসনৰ উপৰিও বৰপেটা সত্ৰত শ্ৰীশ্ৰীমাধৱদেৱে ব্যৱহাৰ কৰা দুই থাকযুক্ত পিতলৰ গুৰু আসন আছে। যাক 'গড়ুৰ আসন' বোলা হয়। এই আসনখনৰ খুৰাত বহি নমস্কাৰ কৰি থকা অৱস্থাত পাখি থকা দেৱতা সদৃশ গড়ুৰ পক্ষী চাৰিটা আছে। তাৰ ওপৰৰ খলপটোত চাৰিটা তুলনামূলকভাৱে সৰু আকৃতিৰ একে গড়ুৰ চৰাই আছে। আমহী ঘৰটো দেখিবলৈ প্ৰায় মূল কীৰ্তন ঘৰৰ নিচিনা, ওপৰত কলচী আছে। আমহী ঘৰৰ দুৱাৰৰ তুলনাত চালখন যথেষ্ট ডাঙৰ। এইখন মাধৱদেৱৰ মঠৰ ভিতৰ

ভাগত সংৰক্ষিত অৱস্থাত আছে।

**গুৰু আসন নিৰ্মাণ কৰা শিল্পীসকলৰ পৰিচয় ঃ**

গুৰু আসন সত্ৰৰ ভিতৰ ভাগৰ সেৰাৰ বস্তু হ'লেও ইয়াৰ নিৰ্মাণ শৈলী আৰু কাৰুকাৰ্য অনন্য। বৰপেটা জিলাৰ কেৱল বৰপেটা সত্ৰৰ হাটীসমূহত থকা স্থানীয় শিল্পীসকলহে ইয়াৰ নিৰ্মাণৰ লগত জড়িত। এই শিল্পীসকলৰ বেছিভাগে হাতীদাঁতৰ শিল্প নিৰ্মাণৰ লগত জড়িত। আত্মাৰাম মিস্ত্ৰী, ৰাধাকান্ত মিস্ত্ৰী, শেহৰাম বাপু আদি একো একোজন প্ৰসিদ্ধ নিপুণ খনিকৰ আৰু কাঠ তথা হাতী দাঁতৰ শিল্পবস্তু তৈয়াৰ কৰা শিল্পী। বৰ্তমানৰ শিল্পীসকলে বংশানুক্ৰমে নাইবা প্ৰশিক্ষণৰ জৰিয়তে এই শিল্প নিৰ্মাণৰ জ্ঞান আয়ত্ত কৰি আহিছে। গুৰু আসন নিৰ্মাতাসকল কোনো এটা বিশেষ জাতি বা জনগোষ্ঠীৰ লোক নহয়। তেওঁলোক কলিতা, কেওঁট, কমাৰ আদি ভিন্ন জাতিৰ লোক। জগন্নাথ দাস, শৈলেন দাস, ৰাধানাথ মিস্ত্ৰী, সঞ্জীৱ বায়ন, টিকেন্দ্ৰনাথ বায়ন আদি বৰপেটাৰ প্ৰসিদ্ধ গুৰু আসন গঢ়া শিল্পী। বহুতো শিল্পীয়ে ঘৰতে এই শিল্পবিধ নিৰ্মাণ কৰে যদিও বৰ্তমান সময়ত এই শিল্প নিৰ্মাণৰ কেইখনমান প্ৰতিষ্ঠানো গঢ় লৈ উঠিছে। বৰপেটাৰ এই শিল্পীসকলৰ শিল্প নিপুণতাই গুৰু আসন শিল্পবিধক অনন্য মাত্ৰা প্ৰদান কৰিছে।

**আৰ্থ-সামাজিক ক্ষেত্ৰত গুৰু আসন শিল্পৰ ভূমিকা**

গুৰু আসন ধৰ্মীয় প্ৰকাৰ্যত ব্যৱহৃত হ'লেও ই ব্যৱহাৰিক আৰু শিল্প গুণ বিশিষ্ট বস্তু। স্থানীয় লোকশিল্পী এজনৰ কল্পনা আৰু নিপুণ হাতৰ পৰশত গুৰু আসন এখনে প্ৰাণ লাভ কৰে। নানা জনৰ হাতৰ পৰশত ইয়াৰ ৰূপলৈ কিছু পৰিৱৰ্তন আৰু নতুনত্ব আহি পৰিছে। বাস্তৱ ক্ষেত্ৰত এই শিল্পবিধৰ নিৰ্মাণৰ লগত জড়িত শিল্পীসকল অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। কিন্তু বৰ্তমান সময়ৰ লগত ফেৰ মাৰি বৰপেটাৰ স্থানীয় শিল্পীসকলে গ্লাছৰ বাকচত সৰুকৈ প্ৰতীক হিচাপে গুৰু আসন বনোৱা পৰিলক্ষিত হৈছে। সেইবোৰে পৰ্যটকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ লগতে শিল্পীসকলো ইয়াৰ দ্বাৰা অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। কাঠ শিল্পৰ লগত জড়িত হৈ থকা শিল্পীসকলৰো গুৰু আসন নিৰ্মাণেই মুখ্য জীৱিকা ৰূপে পৰিগণিত হৈছে। গোলকীকৰণৰ যুগত কাঠত কটা নক্সাবোৰ দেশ-বিদেশলৈও ৰপ্তানি হৈছে। বৰপেটাত নিৰ্মাণ হোৱা গুৰু আসনে প্ৰায় সমগ্ৰ অসমৰে চাহিদা পূৰণ কৰাত মুখ্য ভূমিকা লৈছে। এই শিল্পবিধক চৰকাৰী সাহাৰ্য প্ৰদান তথা পৃষ্ঠপোষকতাৰে অনাগত দিনত আৰু অধিক সুদৃঢ় কৰাৰ যথেষ্ট অৱকাশ নিহিত আছে।

**বৰপেটা সত্ৰৰ ভাস্কৰ্যসমূহৰ পৰিচয় তথা এইবোৰৰ শিল্প-সৌন্দৰ্য**

সত্ৰীয়া সংস্কৃতিৰ অন্যতম উপাদান হ'ল সত্ৰৰ ভাস্কৰ্যসমূহ। সত্ৰত খোদিত ভাস্কৰ্যসমূহ প্ৰতীকযুক্ত ভাস্কৰ্য। এই ভাস্কৰ্যসমূহ প্ৰধানতঃ মূল কীৰ্তনঘৰৰ ভিতৰভাগ, বাটচ'ৰা বা দালান, কীৰ্তনঘৰৰ বেৰৰ কাঠৰ ফলি, গুৰু আসনৰ প্ৰতীক, নামঘৰৰ দুৱাৰৰ ফলি, খুঁটা আদিত খোদিত কৰা হয়। প্ৰায়বোৰ সত্ৰতে ভাস্কৰ্যবোৰ একে যদিও শিল্পী অনুযায়ী ইয়াৰ গঢ়ৰ পাৰ্থক্য দেখা যায়। ভাস্কৰ্যসমূহৰ মাজেৰে নৱবৈষ্ণৱ ধৰ্মৰ দৰ্শন, আধ্যাত্মিক আখ্যান, আদি প্ৰতিফলিত হয়। ধৰ্মৰ বাণীসমূহ সহজ-সৰলকৈ সাধাৰণ মানুহক বুজাবলৈ ভাস্কৰ্যক মাধ্যম ৰূপে গ্ৰহণ কৰিছিল।

বৰপেটা সত্ৰৰ শিল্প ভাস্কৰ্য অতি দৃষ্টিনন্দন। বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ জোখ দীঘে ১২০ হাত আৰু পথালিয়ে ৬০ হাত। কীৰ্তনঘৰৰ ভিতৰৰ মূল দুৱাৰৰ উত্তৰফালে গৰুড় পক্ষীৰ মূৰ্তি আৰু দক্ষিণত হাতত লাড়ু লৈ থকা হনুমানৰ কাঠৰ মূৰ্তি আছে। মঠৰ চোতালেৰে কীৰ্তনঘৰৰ ভিতৰত প্ৰৱেশ কৰা দুৱাৰখনৰ কাঠৰ ওপৰত ৰূপৰ পাট লগোৱা আছে। এই দুৱাৰত ভীষ্ম, জনক, যম, নাৰদ, প্ৰহ্লাদ, ব্ৰহ্মা আদিৰ ভাস্কৰ্য খোদিত আছে। দুৱাৰখনৰ কপালিত ৰূপেৰে নিৰ্মিত মহাকাল পুৰুষ বৈকুণ্ঠৰ ভাস্কৰ্য আছে। ইয়াৰ ওপৰত শিল্পীয়ে ৰূপত পাট খোদাই কৰি বাস্তৱ ৰূপ প্ৰদান কৰিছে। কপালিৰ মাজত ধ্যান বৰ্ণনত বৰ্ণিত নাৰায়ণ, লক্ষ্মী পাৰিষদসকলৰ সৈতে বহি আছে। ইয়াত জয়-বিজয়, হনুমান, গৰুড়, জয়ন্ত, সত্যাৰী, কুমুদাক্ষ আদিৰ মূৰ্তি কাঠত কটা আছে। গোটেই বৈকুণ্ঠৰ চিত্ৰপট যেন শিল্পীয়ে বাস্তৱ ৰূপত ভকতসকলে চাব পৰাকৈ দেখুৱাইছে। এই অৱতাৰৰ ফলিখনৰ উচ্চতা প্ৰায় পাঁচফুট। কীৰ্তনঘৰৰ পশ্চিমফালৰ দুৱাৰখনতো ৰূপৰ পাত লগোৱা আছে। দুপতীয়া দুৱাৰখনত ছয়জন মহাভকত হনুমান, জাম্বৱন্ত, বিভীষণ, উদ্ধৱ, বিদুৰ, মৈত্ৰেয় খোদিত আছে। ওপৰৰ কপালিত ৰূপৰ পাতেৰে নিখুঁটভাৱে নিৰ্মিত কুৰ্মৰূপী নাৰায়ণ সহস্ৰ ফণাযুক্ত অনন্ত নাগত বহি আছে। নাৰায়ণৰ অষ্টভূজত শঙ্খ, চক্ৰ, গদা, পদ্ম, বাৰু, অসি, শাৰঙ্গ, ধনু, বাণ ধৰি আছে। ইয়াৰ জোখ প্ৰায় আঠফুট। ৰূপৰ দুৱাৰখনৰ ওপৰৰ কপালিৰ মাজৰ অংশত প্ৰায় এফুটমান উচ্চতাৰ মিহি লতা আৰু ফুল ৰূপৰ পাতত কটা আছে। পূৱফালৰ দুৱাৰখন কাঠৰ। জয়-বিজয়ৰ মূৰ্তি কাঠত কটা আছে। দুৱাৰখনৰ ওপৰৰ কপালিত বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি কাঠত খোদিত হৈ আছে। ছয়ফুট বহলৰ দুৱাৰখনত খোদিত মূৰ্তি দুটাৰ জোখ দুই ফুট।

মূল কীৰ্তনঘৰৰ বাহিৰৰ বেৰত আৰু আতাপুৰুষসকলৰ ভিঠিৰ দুৱাৰত অনুপম কাষ্ঠ কৰ্মৰ চানেকি দেখা যায়। এই কাষ্ঠ কৰ্মই দৰ্শনাৰ্থীক মোহিত কৰাৰ লগতে নৱবৈষ্ণৱবাদৰ আদৰ্শ প্ৰতিফলিত কৰে। পশ্চিম ফালৰ বেৰত কাঠত কটা শ্ৰীবিষ্ণুৰ দশ অৱতাৰৰ ভাস্কৰ্য আছে। এই দশাৱতাৰৰ মূৰ্তিবোৰ পৃথককৈ গোটাসজীয়াকৈ কাঠত কাটি লগাই থোৱাৰ দৰে দেখা যায় যদিও কাঠৰ চেপেটা ফলিতে ভাস্কৰ্য শিল্পীয়ে নিখুঁতভাৱে খোদিত কৰিছে। এই অৱতাৰবোৰৰ জোখ তিনিফুটৰ পৰা চাৰিফুটৰ ভিতৰত। কীৰ্তনঘৰৰ উত্তৰফালৰ বেৰখনত মুঠ ৪৪ খন বিভিন্ন ধৰ্মীয় অৱতাৰ, যেনে ঃ বিপ্ৰপুত্ৰ আনয়ন, জগন্নাথ, শ্ৰীকৃষ্ণ, পৰীক্ষিত ৰজা, শিৱ, ৰামায়ণৰ চৰিত্ৰ, নৰসিংহ আদিৰ ফলক আছে। দক্ষিণফালৰ বেৰতো শ্ৰীকৃষ্ণৰ শিশুলীলাৰ বৰ্ণনাসমূহ ফলিত খোদাই কৰা হৈছে। কেৱল মূৰ্তিসমূহেই নহয়, আখ্যানসমূহত বৰ্ণিত পৰিস্থিতি, পৰিৱেশকো শিল্পীয়ে বাস্তৱ ৰূপত খোদিত কৰিছে। একোখন কাঠৰ ফলকত দুটাকৈ ভাস্কৰ্য খোদিত হৈ আছে। এখন ফলকত দুখন চিত্ৰ কাটিবলৈ চিত্ৰসমূহৰ মাজত কাঠতে কটা ৰঙ্গমঞ্চৰ দৰে খুটা খোদিত কৰিছে। ভাস্কৰ্যৰ ফলিসমূহৰ ওপৰত আৰু তলত ফুল আৰু লতা কটা হৈছে। বেছিভাগ ভাস্কৰ্যই একাষৰীয়াকৈ খোদিত হৈ আছে। দক্ষিণফালৰ বেৰৰ ছয়খন কাঠৰ ফলকত যমপুৰী অৰ্থাৎ অসৎ কৰ্মৰ ফলাফলৰ শাস্তিৰ বৰ্ণনা আছে। চাৰিখন ফলকত সৎ কৰ্মৰ ফল আছে। তদুপৰি বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ উত্তৰফালে অৱস্থিত মথুৰা দাস বুঢ়া আতাৰ ভিঠিৰ কপালিতো বৈষ্ণৱ ধৰ্মৰ মূল ভাৱাদৰ্শক প্ৰতিফলিত কৰিব পৰাকৈ বিভিন্ন ভাস্কৰ্য খোদিত হৈ আছে। একেদৰে দক্ষিণ দিশত থকা বদলা বা পদ্ম আতাৰ ভিঠিতো নিখুঁত কাৰুকাৰ্যৰে কালীয়দমন, গোপিনীৰ বস্ত্ৰহৰণ, পুতুনা বধ আদি ভাস্কৰ্যমালা খোদিত আছে। বেৰতো জয়-বিজয়, সনক-সনন্দ আদিৰ মূৰ্তি খোদিত হৈ আছে।

সামগ্ৰিকভাৱে বৰপেটা সত্ৰৰ সত্ৰীয়া ভাস্কৰ্যসমূহ দূৰৰ পৰা চালে আঁকা ছবি যেনহে ভাৱ হয়। প্ৰতিটো চৰিত্ৰ সুন্দৰ ঘনত্ব, দূৰত্ব আৰু আকৃতিৰে খোদাই কৰা হৈছে। শিল্পীৰ কল্পনা শক্তি, শিল্প নিপুণতা, ধৰ্মীয় প্ৰজ্ঞা চিত্ৰবোৰৰ মাজেৰে নিখুঁত ৰূপত প্ৰকাশিত হৈছে।

**সত্ৰীয়া ভাস্কৰ্য শিল্পীসকলৰ পৰিচয়**

কাঠত খোদিত ভাস্কৰ্যসমূহৰ বেছিভাগ লক্ষ্মীকান্ত ৰাজমেধি ওৰফে শেহৰাম বাপুৱে তৈয়াৰ কৰিছিল। (দেৱশৰ্মা, ১৮৮৫, অক্ষয় কুমাৰ মিশ্ৰ (সম্পাঃ), জীৱনীমালা) তেওঁৰ পূৰ্বপুৰুষসকল কোঁচবিহাৰৰ ভেলা সত্ৰৰ। পূৰ্বপুৰুষক ৰঘু ৰজাই বৰপেটা সত্ৰত থিতাপি দিছিল। ইয়াৰ উপৰিও ওঠৰ শতিকাৰ প্ৰথমভাগত বৰপেটাৰ দুগৰাকী বিখ্যাত কাঠ আৰু হাতী দাঁতৰ শিল্পী ৰাধানাথ দাস আৰু কেহৰু বাপুৱে ভাগৱতৰ কাহিনীৰ বিষয়বস্তুৰ সাৰাংশখিনিক মূল আধাৰ হিচাপে লৈ চিত্ৰ কাটিছিল বুলি জনা যায়। (তালুকদাৰ, ২০১৩, ইছমাইল হোছেইন (সম্পা.), বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি) বৰপেটাৰ ভকতপাৰাৰ শিল্পী অৰ্জুন দাসে এই চিত্ৰমালাবোৰ ৰং-তুলিকাৰে বোলাইছিল।

**আৰ্থ-সামাজিক ক্ষেত্ৰত বৰপেটা সত্ৰৰ ভাস্কৰ্যসমূহৰ ভূমিকা**

সত্ৰ এখন ধৰ্মীয় তথা সাংস্কৃতিক অনুষ্ঠান। ইয়াত চৰ্চিত তথা বিকশিত ভাস্কৰ্যশিল্পসমূহৰ জৰিয়তে শিল্পীসকলে প্ৰাচীন ধৰ্মীয় আখ্যানক বিষয়বস্তু হিচাপে লৈ এই ভাস্কৰ্যসমূহ নিৰ্মাণ কৰে। অনাখৰী মানুহেও পুথি-পাজি পঢ়ি হৃদয়ঙ্গম কৰিব নোৱাৰা গভীৰ আধ্যাত্মিক তত্ত্ববোৰ চিত্ৰৰ মাধ্যমেৰে অতি সহজে দৃশ্যৰ মাধ্যমত বুজিব পাৰে। বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ বেৰত খোদিত ভাস্কৰ্য কেতবোৰ সামাজিক বাৰ্তাজ্ঞাপক। বৰপেটা সত্ৰৰ বেৰত খোদিত যমপুৰীৰ শাস্তিৰ ফলকসমূহত পাপ কৰ্ম কৰিলে মৃত্যুৰ পিছত প্ৰাণীয়ে যমপুৰীত গৈ লাভ কৰা ভাৰতীয় আধ্যাত্মিক বিশ্বাস প্ৰতিফলিত হৈছে। সত্ৰত খোদিত ভাস্কৰ্যসমূহে জনজীৱনৰ ওপৰত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিছে। সমাজৰ মানসিক বিকাশ, সামাজিক চেতনা, আধ্যাত্মিক পৰিপুষ্টি আৰু ঐক্য স্থাপন কৰাত এই ভাস্কৰ্যসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই সত্ৰীয়া ভাস্কৰ্যই আধ্যাত্মিক শিক্ষাৰ জৰিয়তে জনসাধাৰণক আনন্দ প্ৰদান কৰাৰ লগতে সত্ৰবাসীৰ আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে। বিশেষভাৱে সত্ৰখন পৰিদৰ্শন কৰিবলৈ অহা ধৰ্মীয় পৰ্যটকসকলৰ আগমণৰ ফলত সত্ৰৰ লগতে ইয়াৰ চৌপাশে গঢ় লৈ উঠা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ লাভান্বিত হৈছে। কিয়নো সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত বিবিধ ধৰ্মীয় উপকৰণ ইয়াৰ চৌপাশৰ প্ৰতিষ্ঠানসমূহত উপলব্ধ। যিবোৰে ধৰ্মীয় পৰ্যটকসকলক বিশেষভাৱে আকৰ্ষণ কৰাৰ ফলত সেইবোৰৰ পৰা সংশ্লিষ্টসকলে ব্যৱসায়িক মুনাফা আদায় কৰিবলৈ সক্ষম হৈছে।

**উপসংহাৰ**

'বৰপেটা সত্ৰৰ লোকশিল্প ঃ শৈল্পিক সৌন্দৰ্য আৰু আৰ্থ-সামাজিক উন্নয়নত ইয়াৰ ভূমিকা' শীৰ্ষক আলোচনাৰ অন্তত নিম্নলিখিত সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি —

- বৰপেটা জিলা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ ভঁৰাল স্বৰূপ। ইয়াৰ লোকশিল্পবোৰত বিশেষকৈ গুৰু আসন শিল্প আৰু সত্ৰীয়া ভাস্কৰ্যসমূহৰ মাজত প্ৰতিফলিত হোৱা শিল্পগত কাৰুকাৰ্য, ৰঙৰ ব্যৱহাৰৰ কৌশল আৰু সুনিপুণ শিল্প চেতনাই সত্ৰীয়া আধ্যাত্মিক পৰিৱেশক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই লোকশিল্পসমূহে সত্ৰ-সংস্কৃতিৰ ঐতিহ্য পৰম্পৰাৰ সাক্ষী স্বৰূপ হোৱাৰ লগতে সত্ৰনিবাসী লোকসকলৰ আধ্যাত্মিক আৰু আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে।
- বৰপেটা সত্ৰত প্ৰতিষ্ঠিত হৈ থকা গুৰু আসন শিল্পবিধৰ মাজেৰে শিল্পীৰ শিল্পসত্তাৰ নৈপুণ্য আৰু ভক্তিৰ সংমিশ্ৰণ সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। সত্ৰখনৰ মূল কীৰ্তনঘৰত তিনিখন গুৰু

আসন আছে। গুৰু আসন কেইখনৰ কিছু অংশহে কাঠৰ, বেছিভাগ ৰূপেৰে তৈয়াৰী। নান্দনিক আৰু শিল্পসম্মত কাৰুকাৰ্যৰে খচিত এই গুৰু আসন কেইখনে নৱ বৈষ্ণৱ ধৰ্মীয় আদৰ্শকি বিশেষ ব্যাপ্তি আৰু গভীৰতা প্ৰদান কৰিছে।

- বৰপেটা সত্ৰৰ কীৰ্তনঘৰৰ বেৰত খোদিত ভাস্কৰ্যবোৰ বিশেষকৈ সামাজিক বাৰ্তাজ্ঞাপক। এইবোৰৰ মাজেৰে ভাৰতীয় আধ্যাত্মিক বিশ্বাস জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে। ভাল কৰ্মৰ ফল ভাল আৰু কুকৰ্মৰ ফল যে সদায়ে বেয়া —ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ এই চিৰন্তন তত্ত্বকে ভাস্কৰ্যসমূহত শিল্পীসকলে মূৰ্ত ৰূপ প্ৰদান কৰিছে।
- বৰপেটা সত্ৰৰ ভাস্কৰ্যসমূহে জনজীৱনৰ ওপৰত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিছে। সমাজৰ মানসিক বিকাশ, সামাজিক চেতনা, আধ্যাত্মিক পৰিপুষ্টি আৰু ঐক্য স্থাপন কৰাত এই ভাস্কৰ্যসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই সত্ৰীয়া ভাস্কৰ্যই ভক্তপ্ৰাণ ৰাইজক আধ্যাত্মিক শিক্ষা আৰু আনন্দ প্ৰদান কৰাৰ লগতে সত্ৰবাসীৰ আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে।
- বৰপেটা সত্ৰৰ সত্ৰীয়া ভাস্কৰ্যসমূহে জীৱন্ত ৰূপত বৈষ্ণৱ ধৰ্মৰ মূল বাণীক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি আহিছে। ভাস্কৰ্যসমূহৰ প্ৰতিটো চৰিত্ৰৰ ঘনত্ব, দূৰত্ব আৰু আকৃতি অতি নান্দনিক। শিল্পীৰ কল্পনা শক্তি, নিপুণতা, ধৰ্মীয় প্ৰজ্ঞা এইবোৰৰ মাজেৰে নিখুঁত ৰূপত প্ৰকাশিত হৈছে।
- অসমৰ বিভিন্ন ঠাইৰ উপৰিও দেশী-বিদেশী বহু পৰ্যটক বৰপেটা সত্ৰলৈ সঘনে আগমণ হোৱা দেখা যায়। ইয়াৰ ফলত সত্ৰখনৰ লগতে ইয়াৰ চৌপাশৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বিশেষভাৱে লাভান্বিত হৈছে।

## সহায়ক গ্ৰন্থপঞ্জী


গোস্বামী, নাৰায়ণ চন্দ্ৰ। *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা*। যোৰহাট ঃ বিদ্যাভৱন, ২০০৩। মুদ্ৰিত।

চট্টোপাধ্যায়, তুষাৰ। *লোকসংস্কৃতির তত্ত্বরূপ ও স্বরূপ সন্ধান*। কলকাতা ঃ এ মুখাৰ্জী এণ্ড কোং, ১৯৮৫। মুদ্ৰিত।

তালুকদাৰ, ধ্ৰুৱকুমাৰ। *অসমৰ লোক শিল্পকলা*। গুৱাহাটী ঃ বাণী মন্দিৰ, ২০১১। মুদ্ৰিত।

তালুকদাৰ, ধ্ৰুৱকুমাৰ (সম্পাঃ)। *বৰপেটা সত্ৰ আৰু সংস্কৃতি*। বৰপেটা ঃ ৰংঘৰ, ১৯৯৬। মুদ্ৰিত।

দাস, অধৰ চন্দ্ৰ। *সচিত্ৰ বৰপেটা সত্ৰ*। গুৱাহাটী ঃ অৰোৰা ফাইন আৰ্টচ, ২০১৬। মুদ্ৰিত।

দাস, বাবুল চন্দ্ৰ। *বৰপেটা সত্ৰ আৰু লোকজীৱনৰ উৎসৱ-পাৰ্বণ*। গুৱাহাটী ঃ বীণাপাণি পাব্লিছিং হাউচ, ২০১৮। মুদ্ৰিত।

ফুকন, নীলমণি। *লোক কল্প দৃষ্টি*। অসম প্ৰকাশন পৰিষদ, ২০১৯। মুদ্ৰিত।

মিশ্ৰ, অক্ষয় কুমাৰ (সম্পাঃ)। *জীৱনীমালা*। বৰপেটা সাহিত্য সভা। ১৮৮৫। মুদ্ৰিত।

ৰায়চৌধুৰী, ভূপেন্দ্ৰ (সম্পাঃ)। *বৰপেটাৰ ঐতিহ্য*। গুৱাহাটী ঃ ৰেখা প্ৰকাশন, ২০১০। মুদ্ৰিত।

ৰায়চৌধুৰী, ভূপেন্দ্ৰ। *বৰপেটা সত্ৰৰ ইতিবৃত্ত*। গুৱাহাটী ঃ ৰেখা প্ৰকাশন, ২০১১। মুদ্ৰিত।

শৰ্মা, নবীন চন্দ্ৰ। *লোক সংস্কৃতি*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৯। মুদ্ৰিত।

শৰ্মা, নবীনচন্দ্ৰ। *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় খণ্ড)। যোৰহাট ঃ অসম সাহিত্য সভা, ২০০৯। মুদ্ৰিত।

হুছেইন, ইছমাইল (সম্পা.)। *বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি*। গুৱাহাটী ঃ আংগিক প্ৰকাশন, ২০১৩। মুদ্ৰিত।